চান্দমামা

নভেমবাৰ ১৯৮৮



everest/86/PP/412-as

© Walt Disney Productions.

Rediffusion/CP/5573 c AM

শ্ৰী গৌতম গোস্বামী
২৯/১০/৮৮

চান্দমামা

নভেম্বাৰ ১৯৮৮

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
ফটা মুখৰ ফতোৰা	:	১০
অদৃষ্টৰ আখৰ	:	১১
বিনা পণৰ বিয়া	:	১৭
স্বৰ্ণ-উপত্যকা	:	১৯
অলৌকিকত্বৰ বিপদ	:	২৭
জীৱনৰ বাটত	:	৩৩
মণি-মঞ্জৰী-১	:	৩৫
সোণ-ৰূপৰ মুখ	:	৩৯
কৃষ্ণাৱতাৰ	:	৪৩
তৃতীয় প্ৰশ্ন	:	৫১
দাপোণত নিজৰ ছাঁ	:	৫৬
খবৰ দবৰ খুখুন্দত	:	৫৯
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা
খনে : ৩·০০ টকা মাথোন
বছৰেকীয়া বৰঙণি
৩৬·০০ টকা মাথোন

‘মেৰি’—২২ কেৰাটৰ সোণ-খতোৱা অলংকাৰৰ জগতত এক বিশ্বস্ত আৰু বিখ্যাত নাম। গুণত অনুপম! সৌন্দৰ্য্যত অপৰূপ!! গেৰান্টিযুক্ত, প্ৰত্যেকৰ ৰুচিসম্মত অতুলনীয় অলংকাৰ!

অৰ্ডাৰ পঠাওঁতে অলংকাৰৰ নম্বৰ উল্লেখ কৰিব। ডাক-মাচুল (ভি. পি.) অতিৰিক্ত। বিনামূলীয়া কেটালগৰ বাবে লিখি পঠাওক।



MERI GOLD COVERING WORKS

P.O. BOX : 1405, 14, RANGANATHAN STREET,
T. NAGAR, MADRAS-600 017, INDIA.

“CRIPPLE”

The word can maim a child for life.

Imagine not being able to race your best friend. Imagine not having a best friend. Imagine being struck by Poliomyelitis before you even know the word. Or what it means. And be called a "cripple" for life.

Every year, Poliomyelitis or Polio strikes 275,000 children in India. In rural India, 1 in every 150—200 surviving newborn is in danger of developing polio unless urgent preventive measures are taken. And, while you read this, there are 1.6 million polio-stricken children in the country, most of them handicapped for life. If only they had been immunized... in time.

PolioPlus

The Rotarian Relief Programme

Rotary International has embarked on a world-wide immunization programme called PolioPlus. Through this programme, Rotary will provide all polio vaccines necessary for upto 5 consecutive years, for children in countries around the world.

Plus immunization against common childhood diseases like measles, diphtheria, tuberculosis, tetanus and whooping cough—diseases which take 3.5 million young lives in the developing world, every year.

PolioPlus

A Rotary International Campaign
TO IMMUNIZE THE CHILDREN OF THE WORLD

Cut and mail to :
Chairman
POLIOPLUS CAMPAIGN TRUST
128, Golf Links
New Delhi-110 003.

Here's what You Can Do

YES, WE WISH TO SUPPORT THE POLIOPLUS CAMPAIGN TRUST

We enclose our Cheque/Draft of Rs. ....

Name......................................

....

Designation ....

....

Company Address ....

....

Phone No. ....

Cheques/Drafts should be drawn in favour of POLIOPLUS CAMPAIGN TRUST payable in Bombay, Contributions are exempted from income tax under section 80 (G) of the Income Tax Act, 1961.

CMP

"YOU HAVE NOT DONE ENOUGH AS LONG AS YOU ARE CAPABLE OF DOING MORE." **ACT NOW.**

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্ৰপাণি * বি নাগিৰেড্ডি

‘চান্দমামাৰ ফটো-নামকৰণ প্ৰতিযোগিতা’লৈ যোগদানকাৰী প্ৰতিযোগীয়ে নিজ হাতেৰে লিখি প্ৰতিযোগিতাত যোগদান কৰিব লাগিব—এই কথা বাৰে বাৰে জনোৱা সত্ত্বেও সাম্প্ৰতিক এক সমীক্ষাৰ যোগেদি জনা গৈছে যে অধিকভাগ প্ৰতিযোগীৰ হৈ তেওঁলোকৰ মাক-দেউতাকে বা বায়েক-ককায়েকে লিখিবলগাখিনি লিখি দিয়ে। তাৰ ফলত এই প্ৰতিযোগিতাৰ মূল উদ্দেশ্য ব্যৰ্থ হয়। আকৌ অনুৰোধ, প্ৰতিযোগীসকলে নিজেই লিখি পঠাওক। হস্তাক্ষৰ অলপ বেয়া হ’লেও হওক। অলপ ভুল-ভ্ৰান্তি হ’লেও প্ৰতিযোগীয়ে নিজেই লিখিব।

অমৰ-বাণী

অৰাবপ্যুচিতম্ কাৰ্য্যমাতিথ্যম্ গৃহমাগতে।
ছেত্তুঃ পাৰ্শ্বগতাম্ ছায়াম্ নোপসংহৰতেদ্ৰুমঃ॥

[শত্ৰু হ’লেও ঘৰলৈ আহিলে তাৰ সৈতে আলহীৰ দৰে ব্যৱহাৰ কৰিব লাগে। কাঠ-কটীয়াই কটা গছজোপাই আনকি তাৰ বিনাশকাৰী কাঠ-কটীয়াকো ছায়া প্ৰদান কৰে।]

বছৰ: ১৩ নভেম্বাৰ ১৯৮৮ সংখ্যা: ৭

খনে: ৩·০০ টকা :: বছৰেকীয়া বৰঙণি: ৩৬·০০ টকা

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

চান্দমামাৰ সম্বাদ-ৰি-সম্বাদ

দৃষ্টিহীনৰ পৰ্বত-বিজয়!

পুনেৰ দুগৰাকী দৃষ্টিহীন যুৱকে পশ্চিম হিমালয় পৰ্বতশ্ৰেণীৰ ১৬,০০০ ফুট উচ্চ পাতালসু্য শিখৰ জয় কৰিলে! দত্তাত্ৰেয় য়োল্ আৰু মোহন কাম্ব্‌লে নামৰ দৃষ্টিহীন এই যুৱকদ্বয়ে আন তিনিজন সহযোগীৰ সহায়ত এই পৰ্বতশিখৰ পাইছিলগৈ। আমাৰ দেশত দৃষ্টিহীনৰ পৰ্বতাৰোহণ এয়ে প্ৰথম।

ডায়ন'ছ'ৰাছ কেনেকৈ বিলুপ্ত হ'ল...

৬০ মিলিয়ন বছৰৰ আগতে পৃথিৱীৰ বুকুৰপৰা অতিকায় প্ৰাণী ডায়ন'ছ'ৰাচ বিলুপ্ত হোৱাৰ বিষয়ে বিজ্ঞানীসকলে কৈছে যে: বিৰাট ভূঁইকঁপৰ ফলত আনকি সূৰ্য্যৰ পোহৰো নোহোৱা হোৱাত পৃথিৱীৰ বায়ুমণ্ডলত বিপুল পৰিৱৰ্তনৰ ফলত 'এছিড-বৰষুণ' হৈছিল. যি পৰিৱৰ্তন সহ্য কৰিব নোৱাৰি এইবোৰ অতিকায় প্ৰাণীৰ বিলুপ্তি ঘটিছিল।



সেই মৃত্যুদূতৰূপী আগ্নেয়গিৰিৰ উদ্গীৰণৰপৰা উদ্ভূত লাভাৰপৰাই আজিৰ ভাৰতবৰ্ষ আৰু দেকানৰ সৃষ্টি হৈছিল!

প্ৰাচীনতম চাংমাইশাল!

পুৰীৰ জগন্নাথ মন্দিৰৰ পাকঘৰে বিগত এহেজাৰ বছৰ ধৰি দিনে এক লাখ ভক্তলৈ প্ৰসাদ যোগাই আহিছে। জগন্নাথ মন্দিৰৰ এই পাকঘৰেই হ'ল পৃথিৱীৰ প্ৰাচীনতম পাকঘৰ!

গতিৰ গতি-মতি!

সমগ্ৰ মহাকাশৰ সবাতোকৈ দ্ৰুতগামী পৰিক্ৰমণশীল নক্ষত্ৰটিক সম্প্ৰতি বিজ্ঞানীসকলে আৱিষ্কাৰ কৰিলে। ১৬ মিটাৰ বহল এই নক্ষত্ৰটিয়ে ১'৬ মিলি ছেকেণ্ডত এবাৰকৈ প্ৰদক্ষিণ কৰে। ১ মিলি ছেকেণ্ড = ১ ছেকেণ্ডৰ এহেজাৰ ভাগৰ এভাগ মাথোন!

ফটা মুখৰ ফতোৱা

এখন দেশত এজন ৰজা আছিল। এবাৰ ৰজাৰ টান অসুখ হ'ল। যেতিয়া ৰাজবৈদ্যই, আৰু আন আন ভালবো ভাল বৈদ্যয়ো ৰজাৰ অসুখ ভাল কৰিব নোৱৰা হ'ল, তেতিয়া ৰজাই আমনি পাই ঘোষণা কৰিলেঃ মোৰ অসুখ ভাল কৰিবপৰা বৈদ্যক মই মোৰ ৰাজত্বৰ আধা অৰ্পণ কৰিম ; কিন্তু মোৰ অসুখ প্ৰকৃততে ভাল কৰিব নোৱাৰিলে সেই বৈদ্যৰ মূৰ কটা যাব।

ৰাজত্বৰ আধাখিনি পোৱাৰ আশাত বহু বৈদ্য আহিল, আৰু তেওঁলোকৰ মূৰ কটা গ'ল। তেতিয়া এগৰাকী বিজ্ঞ বৈদ্যই ভাবিলেঃ এইদৰে লোভত পৰি বৈদ্য মৰিলে দেশৰ অন্যান্য বেমাৰীইতৰ কি হ'ব?

এই বৈদ্যগৰাকীয়ে ৰজাক ক'লেগৈ, "মহাৰাজ, আপোনাৰ অসুখ ভাল কৰাৰ বিষয়ত মই বাজি মাৰিবলৈ ৰাজী। আপুনি ৰাজীনে?"

"বাজি—? কিহৰ বাজি?" ৰজাই অবাক হৈ সুধিলে!

"মূৰৰ বাজি। মই যদি আপোনাক ভাল কৰিব নোৱাৰোঁ, মোৰ মূৰ কাটি ল'ব। কিন্তু যদি আপোনাক ভাল কৰিব পাৰোঁ,—মই আপোনাৰ মূৰ কাটি ল'ম।" বিজ্ঞ বৈদ্যই ৰজাক ক'লে।

"অসুখ ভাল হ'লে মোৰ মূৰ কটা যাব কেলেই?" বিৰক্ত হৈ ৰজাই সুধিলে।

"অসুখ ভাল নহ'লে যদি বৈদ্যৰ মূৰ কটা যায়, ভাল হ'লে বেমাৰীৰ মূৰ কিয় কটা নাযাব?" বৈদ্যয়ো ৰজাক নেৰিলে।

বৈদ্যৰ কথাৰ অন্তৰ্নিহিত যুক্তি মানি লৈ সিদিনাৰেপৰাই ৰজাই তেওঁৰ সেই ঘোষণাৰূপী ফটা মুখৰ ফতোৱা তৎক্ষণাৎ প্ৰত্যাহাৰ কৰিলে। তাৰ পাছত, এই বিজ্ঞ বৈদ্য গৰাকীয়ে বহুদিন ধৰি দৰব-পাতি আৰু পথ্যাদি খুৱাই ৰজাক ভাল কৰি তুলিলে।

অদৃষ্টৰ আখৰ

ভেড়াৰখীয়া ভৈৰৱ আছিল বোবা। এদিন তাৰ ভেড়াৰ জাকৰপৰা এটি ভেড়া-পোৱালি নোহোৱা হোৱাত ভৈৰৱে পোৱালি ভেড়াটোক বিচাৰি বিচাৰি পাহাৰুৱা হাবিৰ মাজত থকা মস্ত গুহা এটাৰ কাষত ৰ'লগৈ। ভেড়া-পোৱালিটো জানোচা এই গুহাৰ ভিতৰ পালেগৈ কেনেবাকৈ—এই কথা ভাবি, গুহাৰ ভিতৰলৈ গৈ, বোবা ভৈৰৱ হতবুদ্ধি হৈ পৰিল। সি ভয়ো খালে। গুহাৰ ভিতৰত শিলৰ বেদীৰ ওপৰত আছিল বহু কালৰ আগতেই মৃত সাধু এগৰাকীৰ কংকাল অৰ্থাৎ কেরল জকা! আৰু এই জকাটোৰ কাষত আছিল পানীৰে ভৰপূৰ এটি কমণ্ডলু। সাধুৰ জকাটো যোগত বহা মানুহৰ দৰে আসনভিৰি কৰি বহি আছিল। এইগৰাকী সাধু যে ধ্যানস্থ অৱস্থাত ঢুকাল—ভৈৰৱে বুজি পালে। আৰু এইবাৰ ভৈৰৱে তাৰ ভেড়া-পোৱালিটিকো তাত দেখা পালে।

ভয়ৰ কোবত ভৈৰৱৰ অষ্ঠ-কণ্ঠ শুকাই যোৱাত সি সাধুৰ সেই কমণ্ডলুৰ পানী অলপ পি-খালে। তাৰ পাছত ভৈৰৱে তাৰ ভেড়াৰ পোৱালিটোক কোলাত দাঙি লৈ গুহাৰপৰা ওলাই আহিল।

গুহাৰপৰা ওলাই দুখোজমান গৈয়েই বোবা ভৈৰৱ আৰ্তনাদ কৰি উঠিল। তাৰ ভৰিৰ তলত এডাল দীঘল কাঁইটে বিন্ধিছিল। কিন্তু ওপজাৰেপৰা মাত-বোল কৰিব নোৱৰা ভৈৰৱৰ মুখেদি মাত ওলোৱাত ভৈৰৱ অতিপাত অবাক হ'ল।

আৰু সি সবিস্ময়ে লক্ষ্য কৰিলে যে

‘কিশোৰকান্ত’

তাৰ সেই ভেড়া-পোৱালিটোৰ নেজডাল একেবাৰে চুটি হৈ পৰিছে!

সি ভাবিলেঃ বাকীবোৰ ভেড়াৰ নেজো চুটি হ'লে বেয়া নহ'ব কথাটো। গাঁৱৰ ৰাইজে অবাক মানিব।

সাঁজ লগাৰ আগে আগে ভেড়াৰ জাকটোক লৈ আনদিনাৰ দৰেই ভৈৰৱ গাঁৱলৈ উভতি আহিল। কিন্তু তিমানতে তাৰ ভেড়াবিলাকৰ আটাইবোৰৰেই নেজ চুটি হৈ প্ৰায় নোহোৱাই হৈ পৰিছিল। কথানো কি—? ভৈৰৱে তাৰ নিজৰ গাতে চিকুটি চালেঃ সপোন নহয় দেখোন! দিঠকেই! কেনেকৈনো হ'ল!

জনম-বোবা ভৈৰৱে মাত-বোল কৰিব পৰা শুনি গাঁৱৰ ৰাইজেও বুজি পালে যে ভৈৰৱৰ গাত নিশ্চয় কিবা এটা লম্ভিছে। কথাটো ভালকৈ পৰীক্ষা কৰাৰ মনেৰে এজন গাঁৱলীয়াই ভৈৰৱক ক'লে, "হেৰাহে ভৈৰৱ, নেজচুটি ভেড়া কোনেও ভয়তে নিকিনিব, নেজ আগৰ দৰেই দীঘল কৰি দিয়া।"

"কেনেকৈ মই দীঘল কৰিম?"

"পাৰিবা। তুমি মন কৰিলেই হৈ যাব।" মানুহজনে ক'লে।

ভৈৰৱে ভেড়াবিলাকৰ নেজ আগৰ দৰে হোৱাৰ কথা মনতে ভাবিলে, আৰু ৰাতিটোৰ ভিতৰতে সি ভবামতে কাম হ'ল। সেই চুটিনেজীয়া ভেড়াবোৰ দীঘলনেজীয়া হৈ পৰিল।

যিদিনা ভেড়াবোৰ ৰাইজৰ চকুৰ আগতে দীঘলনেজীয়া হ'ল, সেই দিনা ৰাতিৰ দুপৰ পৰতে গাঁৱৰ জমিদাৰৰ দেৱানে ভৈৰৱক ক'লে, "শুনা, ভৈৰৱ! দৈৱীক্ষমতা কাৰো চিৰদিন নাথাকে, তোমাৰো নাথাকিব; কিন্তু তুমিও ঈশ্বৰে নকৰক বহুদিন জীয়াই থাকিবা কিজানি। তেতিয়া তোমাৰ কি হ'ব? গতিকে— সেই সু-জীৱন পোৱাৰ আগতেই ৰইনাই দি ল'ব লাগিব। তুমি যদি মোৰ মনৰ

মাত্র সামাইন ইচ্ছা এটা পূৰণ কৰা, মই তোমাক লাখপতি বনাই দিম।"

ভৈৰৱে বোবা দৃষ্টিৰে দেৱানলৈ চালে।

দেৱানেই তাক পুনৰ ক'লে, "আজি ৰাতিটোৰ ভিতৰতে কিবা এটা টানৰো টান বেমাৰত পৰি আমাৰ জমিদাৰ সিফলীয়া হওক। জমিদাৰৰ ল'ৰা-ছোৱালী নাই, গতিকে—তেওঁ মৰিলেই নিকটাত্মীয় তথা ওৱাৰিছ হিচাপে এই জমিদাৰীৰ গৰাকী হ'ম—মই।"

কিন্তু দেৱানৰ এই প্ৰস্তাৱত মান্তি নোহোৱাত দেৱানে ভৈৰৱক এটা এন্ধাৰ কোঠাত বন্দী কৰি থ'লে।

ৰাতিপুৱা দেৱানৰ মানুহ কেইজনমানে কোঠাটো খুলি ভৈৰৱক ক'লে, "ঘৰৰ চালৰপৰা পৰি আমাৰ দেৱান ডাঙৰীয়া কালি ৰাতি মৰিল। আমি কিন্তু তোমাৰ একো অনিষ্ট কৰা নাই, ভৈৰৱ, দয়া কৰি আমাৰ কোনো দায়-দোষ নধৰিবা। আমাক মাৰি নোপেলাবা।

এই গাঁৱত থকাটো যে তাৰ পক্ষে আৰু নিৰাপদ নহয়, সেই কথা ভালকৈ উপলব্ধি কৰি ভৈৰৱে তাৰ ভেড়াবিলাকক লৈ অৰণ্যলৈ বুলি খোজ ল'লে। কিন্তু অৰণ্যতো সি বিপদৰ সন্মুখীন হ'ল। তাক এদল ডকাইতে আগুৰি ধৰিলে।

লগে লগে হাবিৰপৰা বিৰাট হোঁকোৰা এটা ওলাই আহি বিজুলী গতিৰে ভেড়াৰ



জাকৰপৰা ভেড়া এটাক নেলুত কামুৰি লৈ পুনৰ হাবিৰ ভিতৰলৈ চেঁকুৰ লওঁতেই ভৈৰৱে কৈ উঠিল, "ঐ হোঁকোৰা— হোঁকোৰা তই মৰ্ মৰ্ মৰ্।"

আৰু লগে লগে সেই হোঁকোৰাটো চিৎ ভোলোঙা খাই, ওপৰৰ পিনে ঠেং-ফেইখন দাঙি, তৎক্ষণাৎ মৰি থাকিল।

এই দৃশ্য দেখি ভৈৰৱৰ ভয়তে ডকাইত বিলাকো বেঙে মূতা গৰুৰ দৰে হৈ পৰিল। কিন্তু ডকাইতৰ চৰ্দাৰটোৱে মাত-বোল কৰিব নোৱৰাকৈ ভৈৰৱৰ মুখখন কাপোৰেৰে বান্ধি অৰণ্যৰ ভিতৰত থকা সিহঁতৰ ডেৰালৈ লৈ গ'ল মাৰি পেলাব বুলি।

কিন্তু সিদিনাই ৰাতিৰ পৰতে ৰজাৰ চোৰাংচোৱা তথা প্ৰহৰীহঁতে আটাইবোৰ ডকাইতক ধৰি লৈ গ'ল। কিন্তু ভৈৰৱক কোনোবা তান্ত্ৰিক বুলি ভাবি প্ৰহৰীহঁতে এৰি দিলে।

তেতিয়া ভৈৰৱে মনতে ভাবিলে ঃ মোৰ এই ভেড়াবোৰ বাঘৰ দৰে হোৱাহেঁতেন কিমান ভাল হ'লহেঁতেন। তেতিয়া কোনো হিংস্ৰ জন্তুৱেই বাঘুৰাভেড়াবোৰৰ কাষকে চাপিব নোৱাৰিলেহেঁতেন।"

এই কথা ভবাৰ লগে লগেই ভৈৰৱৰ ভেড়াবোৰ বাঘৰ পোৱালি হৈ পৰিল। আৰু ভৈৰৱে—এই বাঘুৰাভেড়াবোৰক লৈ ৰাজধানীলৈ বুলি গৈ থাকিল।

ৰাজধানী পোৱাৰ লগে লগেই হুলস্থুল লাগি পৰিল। ৰাজধানীৰ বীৰবো বীৰসৱে বাঘৰ গল্পহে শুনিছে, সেই বুলি সঁচাসঁচি বাঘ, তাকো ইমানবোৰ—দেখি উবাজুবাত কৰ্ফাল খাই পৰি ভগৱন্তকো স্মঁৰিবলৈ পাহৰি সাতচেউৰীৰ লৰ দি পলাল।

কিন্তু হঠাৎ বাটৰুৱা কিছুমানে মন কৰিলে যে—দেখাত বাঘ হ'লেও এই-বোৰৰ মাত ভেড়াৰ নিচিনাহে! যেতিয়া এই কথাটো জনাজনি হ'ল—তেতিয়া ৰাইজ আৰু আচৰিত হ'ল। ৰাইজে অবাক হৈ ভাবিলে ঃ কলিকাল বৰ!

পোৱালি বাঘৰ মুখে ভেড়াৰ চিহড়!

দেশৰ মহামন্ত্ৰীয়ে ভৈৰৱক মতাই নিয়াই সুধিলে, "তুমি কোন? বাঘৰ পোৱালিবিলাকৰ মুখত হেঁাকোৰণিৰ সলনি ভেড়াৰ বেবনি কিয়?"

"মই কোন মানে—মই ময়েই। কিন্তু মই মন কৰিলেই এই বাঘৰ পোৱালি-বিলাকক সিংহ কৰিব পাৰোঁ।" এই বুলি কৈ, মহামন্ত্ৰীৰ চকুৰ আগতে ভৈৰৱে তাৰ বাঘুৱাভেড়াবিলাকক বিবাট আকাৰৰ সিংহলৈ ৰূপান্তৰিত কৰিলে।

মহামন্ত্ৰীয়ে ভৈৰৱক ৰজাৰ ওচৰলৈ লৈ গ'ল আৰু তেওঁৰ পৰামৰ্শদাতা হিচাপে ভৈৰৱক কামত ল'বলৈ ক'লে। মহামন্ত্ৰীৰ অনুৰোধৰ নিশ্চয় কিবা গুৰুত্ব আছে বুলি ভাবি ৰজা ৰাজী হ'ল।

পাছত মহামন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ, এই যে ভৈৰৱ, দেখাত অতি অতি সাধাৰণ, কিন্তু তাৰ ক্ষমতা অসাধাৰণ; যদিও তাৰ নিজৰ ক্ষমতা কিমান—সেই ধাৰণা তাৰ নাই। এনেহেন ক্ষমতাৱান এজন মানুহক আমাৰ শত্ৰুপক্ষই যদি কেনেবাকৈ পায়, তাৰ ফলাফল হ'ব মাৰাত্মক। আনহাতে, আমি তাৰদ্বাৰা বহুবিধৰ কাম কৰাব পাৰিম।"

থকা-মেলাৰ বাবে ভৈৰৱক ডাঙৰ অট্টালিকা এটা দিয়া হ'ল। ভৈৰৱৰ মাজত থকা এই অলৌকিক ক্ষমতাৰে মহা-



মন্ত্ৰীয়ে অনেক ধৰণৰ কাম কৰাই ল'লে।

এদিন ভৈৰৱৰ অট্টালিকাৰ প্ৰহৰীয়ে ভৈৰৱক সুধিলে, "আপোনাৰ বৰ্তমান জীৱনধাৰা আৰু অতীতৰ জীৱনধাৰাৰ মাজত কিবা পাৰ্থক্য বিচাৰি পাইছেনে ?"

ভৈৰৱে হুমুনিয়াহ কাঢ়ি ক'লে, "ইমান দিন মই ভেড়া চৰাই হ্নে-বনে ঘূৰি-ফুৰি ভালেই পাইছিলোঁ। সেই জীৱনত আনন্দ আছিল। এতিয়াৰ জীৱনৰপৰা মোৰ আনন্দ একেবাৰে নোহোৱা হ'ল। মহাৰাজে ক'লৈকো ওলাব নিদিয়ে।"

প্ৰহৰীয়ে ভৈৰৱক ক'লে, "ভৈৰৱ! তোমাৰ ক্ষমতা কিমান তুমি নিজেই নাজানা। যি কি নহওক, তুমি ৰাজকুঁৱৰীক বিয়া কৰাবা বুলি ৰজাক কোৱাগৈ।"

"এই কথা কোৱামাত্ৰেই দেখোন ৰজাই মোৰ পিঠিত ৰাইডাং ফালিব।" ভৈৰৱে প্ৰহৰীক ক'লে।

"ভুল!" প্ৰহৰীয়ে ক'লে, "তুমি যি ক'বা সেয়ে হ'ব' তুমি কৈয়েই চোৱাচোন।"

পাছদিনা, ভৈৰৱে ৰজাক কথাটো কোৱাৰ লগে লগে ৰজা হতবাক হৈ পৰিল। অলপ পাছত ৰজাই ভৈৰৱক ক'লে, "ভৈৰৱ, তোমাৰ নিচিনা ক্ষমতাৱান এজনক জোঁৱায়েৰ হিচাপে পোৱাটো ভাগ্যৰ কথা। ঠিক আছে, খোৱা-বোৱাৰ পাছত এই বিবাহৰ দিন-ক্ষণ স্থিৰ কৰা হ'ব। এতিয়া খাওঁগে ব'লা। আজি তুমি মোৰ লগত বহি খাবা।"

ভৈৰৱ ৰজাৰ ভোজনকক্ষত খাবলৈ বহিল। দুগৰাহমান খায়েই তাৰ মুখ আচন্দ্ৰাই কৰি উঠিল আৰু ৰজাই যে খাদ্যৰ লগত বিষ মিহলাই দিছে—সেই কথা বুজি পাই কৈ উঠিল, "হে ঈশ্বৰ! এই ৰাজ সুখতকৈ বোবা হৈ ভেড়া চৰাই ফুৰাটোৱেই আছিল শতগুণে ভাল।"

পাছ মুহূৰ্ততে ভৈৰৱ পুনৰ সেই বোবা ভেড়াৰখীয়া হৈ পৰিল।

বিনা পণৰ বিয়া

কনক মহাজনৰ সুন্দৰী ছোৱালীজনীৰ নামো আছিল সুন্দৰাক্ষী, আৰু সুন্দৰী সুন্দৰাক্ষীক ৰাইজে 'সুন্দৰী' বুলিয়েই মাতিছিল। তাই যেতিয়া গাভৰুজনী হ'ল, তেতিয়া দেউতাক কনকমহাজনে তাইৰ বাবে দৰা বিচাৰত উঠি-পৰি লাগিল।

আছিল ঢেৰ, কিন্তু সিহঁতক লাগেও ঢেৰ। নানান ধৰণৰ যৌতুক। ইটো-সিটো নানান বস্তু-সামগ্ৰীৰ বাহিৰেও পণুৱাৰ দৰে পণ লাগে, ধনগুলৈৰ দৰে ধন লাগে। নগদ-নাৰায়ণ লাগে। পঁচিছ-ত্ৰিছ হেজাৰৰ কমে কোনেও মাত-বোল নকৰে। উপায়!

এনেতে লোকৰ মুখে সোণাৰাম হালোৱাৰ কথা শুনি কনকমহাজন বৰ উৎসাহিত হৈ উঠিল। সোণাৰাম হালোৱা হালোৱা হ'লেও হেনো নীতিপৰায়ণ।

কিন্তু সেই নীতিপৰায়ণ' সোণাৰামেও যেতিয়া বিছহেজাৰমান নগদে খুজিলে, তেতিয়া কনকমহাজনে 'নেৰায়ণ নেৰায়ণ' বুলি কৈ কৈ ধুপুচকৈ বহি দিলে।

ইপিনে—সুন্দৰী সুন্দৰাক্ষীক বোৱাৰী হিচাপে পোৱাৰ ইচ্ছা সোণাৰামৰ মনত, সিপিনে সোণাৰামৰ পুতেকক জোঁৱায়েক হিচাপে লোৱাৰ ইচ্ছা কনকৰ পৰাণত।

তেতিয়া—কিবা এটা উপায় বিচাৰি উলিওৱাৰ বাবে সোণাৰাম আৰু কনক-মহাজন বিখ্যাত জনদৰদী সমাজকৰ্মী নেতা পৰাণশাস্ত্ৰীৰ কাষ চাপিল।

পাছদিনা পৰাণশাস্ত্ৰীয়ে কনকমহাজনক ক'লেগৈ, "মহাজন, তুমি সোণাৰামৰ প্ৰস্তাৰত মান্তি হোৱা।"

"বিছ হেজাৰ! ক'ত পাম মই!

ললিত লাহন

ডিমকৰো ফুল নহ'ব, মোৰো জীৱনতো বিছ হেজাৰ নহ'ব।" কনকে ক'লে।

"কথা ঠিক। তথাপি কওঁ, যেনেকৈয়েই নহওক বিছ হেজাৰ ৰূপ গোটাবই লাগিব।" পৰাণশাস্ত্ৰীয়ে পেকে-কঠিয়াই মিল কৰিবলৈ চেষ্টা দিলে।

"ইমানকৈ ধাৰ কৰিলে শুজিম কেনেকৈ মই?" কনকমহাজন কক্কাই উঠিল।

"চোৰাঁ, সেইটো যে এটা ডাঙৰ সমস্যা, বুজি পাওঁ মই; কিন্তু সোণাৰামে তোমাৰ সুন্দৰাক্ষীৰ গাত থকা আ-অলংকাৰখিনি বেচি দিব তো নোৱাৰিব।"

তাৰ পাছত পৰাণশাস্ত্ৰী সোণাৰামৰ ওচৰলৈ গ'ল আৰু তাক ক'লে, "সোণাৰাম, তুমি তোমাৰ বোৱাৰীক বিছহেজাৰ টকাৰ অলংকাৰ পিন্ধাইহে ঘৰলৈ আনিবা।"

সোণাৰাম হালোৱাই আকাশৰপৰা পৰা দি পৰিল যেনিবা, এয়ানো আকৌ কেনেকুৱা কথা! অবাক হৈ পৰা সোণাৰামে পৰাণশাস্ত্ৰীক ক'লে, "মোৰ এই সামৰ্থ্য নাই যে—আপুনিও জানে। জানি-বুজি এইবোৰ কিনো কয়?"

"কওঁ, কৈছোঁ, আৰু কৈয়ো থাকিম। ধাৰ কৰি হওক ধুৰ কৰি হওক—বিছ-হেজাৰৰ গহনা গাত পিন্ধাইহে বিয়াখন পাতিবা। এই বিয়া নাপাতিলে কিন্তু কথা বেয়া হ'ব পাৰে।" পৰাণশাস্ত্ৰীয়ে সোণাৰামক সঁকীয়াই দিয়াৰদৰে ক'লে।

"কিন্তু—ধাৰ শুজিম কেনেকৈ? এয়া মোৰ ক্ষমতাৰ বাহিৰ।" সোণাৰামে ক'লে।

"এই ধাৰ পৰিশোধ কৰাটোত একো কষ্ট নাই। কনকমহাজনে নগদে যি বিছহেজাৰ পণৰ ধন দিব, তাৰেই তুমি তোমাৰ গহনাৰ ধাৰ মাৰিব পাৰিবা।" পৰাণশাস্ত্ৰীয়ে পানী পানীকৈ বুজাই দিলে।

এইদৰে পৰাণশাস্ত্ৰীৰ প্ৰচেষ্টাত কনকমহাজনৰ ছোৱালীৰ সোণাৰামৰ পো গংগাৰ সৈতে বিণা পণে বিয়া পতা হৈছিল।

স্বৰ্ণ-উপত্যকা

১১

যুৱৰাণীৰপৰা
বিনন্দই শান্তিভূমিৰ বাহিৰত
থকা দেৱতাগৰাকীৰ ওচৰলৈ যোৱাৰ উপায়
জানি লোৱাৰ মনেৰে যুৱৰাণীক কথা দিলে যে তালৈ যাব
পাৰিলে গান গাব নোৱৰা যুৱৰাণীক গান গাব পৰা বৰ সেই দেৱতাৰ
পৰা নিশ্চয় খুজি আনি দিব। তেতিয়া যুৱৰাণীয়ে এজোপা বিচিত্ৰ বৃক্ষ
আৰু তাৰ 'নক্ষত্ৰ ফল' ভক্ষণৰ কথা কোৱাৰ পাছত এটি
হৰিণা-পোৱালিক কাঁড়ৰ গতিৰে চেকুৰি অহা
দেখি দুয়ো ৰ' লাগি চাই ৰ'ল।
আৰু তাৰ পাছত···

কাঁড়ৰ গতিৰে চেকুৰি আহি হৰিণা পোৱালিটি যুৱৰাণীৰ কাষত ৰ'ল। যুৱৰাণীয়ে পোৱালিটিৰ গাত মৰমৰে হাত ফুৰাই সুধিলে, "পোৱালিটি সোণটি, এই বছৰ নীল পৰ্বতৰ সেই বিৰিখত নক্ষত্ৰ ফল লাগিবনে নাই তুমি তৎক্ষণাৎ চাই আহিব পাৰিবানেগৈ?"

লগে লগে পোৱালি হৰিণাই অলপ আঁতৰত থকা পাহাৰ এটাৰ টিঙত উঠিলেগৈ আৰু পিছ ঠেং দুখনৰ ওপৰত

মনোজ দাস

থিয় হৈ বহু দূৰলৈ চাই পঠিয়ালে। তেতিয়া তাত এটা শহাপহুও আছিল। হৰিণা-পোৱালিটিয়ে শহাক ক'লে, "শহা ঐ শহা, শুনা, অলপ বহা, এই বছৰ নক্ষত্ৰ ফল লাগিবনে নাই যোৱা—চাই আহা ?"

লগে লগে শহাটো তালৈ গ'ল আৰু চাওঁতে চাওঁতে আহি ক'লে যে, তেনেকুৱা ফল এতিয়ালৈকো ওপজা নাই। এটা কেৰ্কেটুৱা সেই পিনেদি গৈ আছিল। হৰিণা-পোৱালিটিয়ে কেৰ্কেটুৱাটোকো চাই আহিবলৈ ক'লে। কেৰ্কেটুৱাটো হৰিণা-মূৰৰ ওপৰত উঠিলেগৈ, আৰু পিছ ঠেং দুখনৰ ওপৰত থিয় হৈ, চাৰিওফালে ভালকৈ চাই চাই নক্ষত্ৰ ফলৰ সন্ধান কৰিবলৈ ধৰিলে। কিন্তু কেৰ্কেটুৱায়ো একেই কথা হৰিণা-পোৱালিটিক ক'লে। তেনেকুৱা কোনো ফল, বা বিচিত্ৰ ধৰণৰ গছো চকুত পৰা নাই।

এজোপা গছৰ ডালত বহি এজনী চৰায়ে গীত গাই আছিল। হৰিণা-পোৱালিটিয়ে চৰাইজনীকো কোৱাত চৰাইজনী তেতিয়া ডেউকা কোবাই উৰি উৰি ঘূৰি ঘূৰি চাই আহিলগৈ। কিন্তু নাই, তেনেহেন বিচিত্ৰ বিৰিখ, বা নক্ষত্ৰ ফল—তায়ো একো এটাও ক'তো-কেনিও বিচাৰি নোপোৱা হ'ল।

আৰু ঠিক তেতিয়াই শেন চৰাই এটা আকাশৰপৰা সোঁ সোঁৱাই নামি আহি পাহাৰটোৰ টিঙত বহিলহি। লগে লগে হৰিণাই আৰু লগতে সেই চৰাইজনীয়েও শেন চৰাইটোক টানি অনুৰোধ কৰিলে নক্ষত্ৰ ফলৰ সন্ধান আনি দিবলৈ।

শেন চৰাইটোৱে তৎমুহূৰ্তেই তাৰ বিৰাট ডেউকা দুখন মেলি, আকাশৰ বতাহ ফালি ফালি বিজুলী গতিৰে উৰি উৰি গৈ থাকিল নীল পৰ্বতলৈ। শেন চৰায়ে নীল-পৰ্বতৰ চুকে-কোণে বিচাৰি বিচাৰি বিচাৰি পালে দেখা সেই বিচিত্ৰ বিৰিখৰ আৰু নক্ষত্ৰ ফলৰ। আৰু তাৰ পাছত

পুনৰ একেই গতিৰে উভতি আহি হৰিণাক আৰু চৰাইক ক'লে, "আছে সেই বিচিত্ৰ বিৰিখ। নক্ষত্ৰ ফলো আছে। কালিলৈ নিশ্চয় সেই ফল প্ৰত্যেকেই দেখা পাব। এতিয়াও নিচেই সৰুটো হৈ আছে ফলটো, কালিলৈ কিজানি পকিল।"

"কেনে অদ্ভুত কাণ্ড!" যুৱৰাণীয়ে কৈ উঠিল, "কোনেও যিটো কথা ক'ব ক'ব নোৱাৰিলে, তুমি ক'ব পাৰিলা কেনেকৈ! তুমি এতিয়া গুচি নাযাবা, কালিলৈকে থাকিবা ইয়াত। নক্ষত্ৰ ফল অলপ খাই তাৰ পাছত যাবা।"

বিনন্দই নক্ষত্ৰ ফলৰ কথা শুনিছিল কিন্তু কদাপি দেখা নাছিল। সেইদেখি, মনত প্ৰচণ্ড কৌতূহল উপস্থিত হোৱাত, সি তাতে অপেক্ষা কৰিবলৈ সন্মত হ'ল। বিনন্দই উপলব্ধি কৰিলে যে—এই শান্তি ভূমিত তেতিয়া অখণ্ড শান্তি বিৰাজিত। সমগ্ৰ অঞ্চল যেনিবা স্নিগ্ধ সোণোৱালি পোহৰেৰে উদ্ভাসিত। এই ভূমিৰ অধিবাসী-সকলে হেনো অপূৰ্ব চিত্ৰ আঁকি চিত্ৰসমূহত প্ৰাণসঞ্চাৰো কৰিব পাৰে। আনকি বিভিন্ন ন ন দ্ৰব্য-সামগ্ৰী সৃষ্টি কৰি সেইবোৰ দ্ৰব্য-সামগ্ৰীতো হেনো প্ৰাণৰ সঞ্চাৰ কৰিব পাৰে। শান্তিভূমিৰ সকলোতে যেনিবা ফল আৰু ফুলৰ দলিচা পাৰি থোৱা হৈছে। এই ভূমিৰ অধিবাসীসকলে ভাবিব নোৱৰা ঘটনা তেওঁলোকৰ জীৱনত নঘটে। 'বিশ্বাস' যে কেনেকুৱা বা কি— সেই কথা তেওঁলোকে সমূলি নাজানে। কিয়নো, 'অবিশ্বাস' তেওঁলোকৰ অজ্ঞাত।

পাছদিনা, ৰাতি পুৱালত বিনন্দক লগত লৈ যুৱৰাণী নীল পৰ্বতলৈ বুলি আগ বাঢ়িল। বাটত বিনন্দই যুৱৰাণীক ক'লে, "তোমালোকৰ প্ৰকৃতি অতি শান্ত। তোমালোকৰ মাজত কোনো বস্তুৰ বাবে কোনো প্ৰকাৰৰ চাহিদা নাই। চাহিদা যদি আছেও—তোমালোকে সেই চাহিদা পূৰণৰ বাবে আগ্ৰহী নোহোৱা। কিন্তু

আমাৰ অৱস্থা বেলেগ। আমাৰ চাহিদাৰ, অতৃপ্তিৰ শেষ নাই। আমি পোৰাতকৈ অধিক সদায় বিচাৰোঁ। আৰু এয়ে হ'ল আমাৰ ঘাই কাল।"

"অৱস্থা যদি এনেকুৱা—মানুহে নিজক সলনি কৰিব পাৰে দেখোন।" যুৱৰাণীয়ে বিনন্দক ক'লে।

"পাৰে। কিন্তু নকৰে। কাৰণ— এই ইচ্ছা মানুহৰ নাই। আমাৰ জ্ঞানী মুনি-ঋষিসকলৰ মতেঃ অধিক ভাগ মানুহেই অজ্ঞানতাৰ অন্ধকাৰত পোত খাই আছে আৰু অজ্ঞানতাৰ অন্ধকাৰতহে অধিকভাগে আনন্দ লাভ কৰে।" বিনন্দই ক'লে।

যুৱৰাণী আৰু বিনন্দই ৰাতিৰ পৰতে খোজ কাঢ়ি কাঢ়ি এনেবোৰ কথা পাতি পাতি গৈ আছিল। হঠাৎ এসময়ত সূৰ্য্যোদয় হ'ল আৰু চতুৰ্দিশ পোহৰেৰে উদ্ভাসিত হৈ উঠিল।

আৰু সেই উদ্ভাসিত পোহৰৰ মাজেদি নীল পৰ্বতস্থিত বিচিত্ৰ বৃক্ষৰ ডালত ওলমি থকা নক্ষত্ৰ ফল দৃষ্টিগোচৰ হ'ল।

'নক্ষত্ৰ ফল' প্ৰকৃততেই নক্ষত্ৰৰ দৰে উজ্জ্বল। যুৱৰাণীয়ে এই ফলটো টুঙি লৈ বিনন্দক দিলে আৰু ক'লে, "তুমি য'লৈকে যাব খুজিছা, তালৈ যোৱাৰ বাট এই পৰ্বতৰ নামনিৰপৰা আৰম্ভ হৈছে। তাত চিৰ-অন্ধকাৰ। তাত সদা-সৰ্বক্ষণ ধুমুহা বজ্ৰপাত আৰু নানান প্ৰাকৃতিক দুৰ্য্যোগ। কিন্তু এই নক্ষত্ৰ ফল ভক্ষণ কৰিলে তোমাক সেইবোৰ দুৰ্য্যোগে স্পৰ্শ কৰিব নোৱাৰিব। কিন্তু এটা কথা সদায় মনত ৰাখিবা, তাত কিছুমান পিশাচ-জাতীয় প্ৰাণী আছে। আন কোনোবা শক্তিয়ে তোমাক বিপদগ্ৰস্ত কৰে যদি—তেতিয়া এই পৈশাচিক প্ৰাণীবোৰেই তোমাক ৰক্ষা কৰিব। কিন্তু তোমাৰ বুকুত সাহস থাকিব লাগিব। মই এই কথাত সম্পূৰ্ণ নিশ্চিন্ত যে—তুমি তাৰপৰা পৰিপূৰ্ণভাৱে বিজয়ী হৈ উভতি আহিব

পাৰিবা আৰু কৰ্তব্য সামৰিব পাৰিবা।"

নক্ষত্ৰ ফল ভক্ষণ কৰাৰ অন্তত বিনন্দ নীল পৰ্বতৰ নামনিলৈ নামি গৈ থাকিল। অলপ পাছত বিনন্দই এখন উপত্যকা, পালেগৈ। কিন্তু উপত্যকাখনত তেতিয়া ডাঠ এন্ধাৰ। উপত্যকাৰ ওপৰত প্ৰায় হাতেৰে খামুচি ধৰিব পৰা ক'লা ক'লা মেঘৰ দ'ম। বিনন্দই যুৱৰাণীক দেখাৰ মনেৰে পিছফাললৈ ঘূৰি চালে। য'ত যুৱৰাণী থিয় হৈ আছিল, তাত ধোঁৱাই গুলুম বান্ধি উঠিছে, আৰু সেই গুলুম বন্ধা ধোঁৱাৰ মাজত যুৱৰাণী সহজ ভংগীৰে ৰৈ আছে। হিমচেঁচা বতাহ মাৰি আছিল। চাৰিওফালৰপৰা বজ্ৰ-বিদ্যুতৰ বিকট শব্দ ভাহি আহিব ধৰিছিল।

অকস্মাৎ চাৰিওফালৰপৰা কাঁড়ৰদৰে পানী বৰষিবলৈ ধৰিলে। চাওঁতে চাওঁতে একাঁকাল পানী হৈ গ'ল। অলপ পাছত বানপানীৰ সৃষ্টি হ'ল। বানৰ পানীৰ মাজত বিনন্দ ডিঙিলৈকে ডুবি গ'ল। বিনন্দই বহু চেষ্টাৰে এচটা ওখ শিলৰ ওপৰত উঠি থিয় দিলে। কিন্তু পাছ মুহূৰ্ততে সেই শিলচটা পানীৰ ওপৰত ওপঙি থাকিল। ইমান ডাঙৰ শিলচটা— কেনেকৈনো ওপঙে! তেতিয়া ভালকৈ লক্ষ্য কৰিলে—যিচটাক সি প্ৰকাণ্ড শিল বুলি ভাবিছিল—আচলতে এটা প্ৰকাণ্ড জন্তুহে। বিনন্দই জন্তুটোৰ পিঠিৰপৰা তললৈ জাঁপ মাৰিবলৈ লৈয়ো ৰৈ দিলে। জাঁপ মাৰি ক'তনো পৰিবগৈ!

অলপ পাছত—এই বিৰাট জন্তুটোৱেই বিনন্দক এন্ধাৰৰপৰা পোহৰলৈ লৈ আহিল। তেতিয়া বিনন্দই দেখিলে যে এই বিৰাট জন্তুটো হ'ল এটা সিংহ!

আৰু হঠাৎ বহু দূৰত লৌ লৌ কৰে জ্বলি উঠা জুইৰ শিখা দেখা পাই সিংহটো সেই জুই শিখাৰ পিনে কাঁড়ৰ গতিৰে চেকুৰ ল'লে। আৰু বিনন্দয়ো "ৰ'বা, ৰ'বা" বুলি চিঞৰি চিঞৰি সিংহটোৰ

পিছে পিছে তীব্ৰতম গতিৰে গৈ থাকিল।

চাওঁতে চাওঁতে সেই জুই শিখাই বনাগ্নিৰ ৰূপ ল'লে। ইমান প্ৰচণ্ড বনাগ্নিৰ দৃশ্যলৈ চাই থাকিব নোৱাৰি বিনন্দই চকু মুদি দিলে। কিন্তু ঠিক তেতিয়াই সেই প্ৰকাণ্ড সিংহটো একেজঁাপে লৌ লৌকৰে জ্বলি থকা বনাগ্নি পাৰ হৈ গ'ল।

আৰু ঠিক তেতিয়াই ঢৌৱাই আহিল হিমচেঁচা বতাহ। বিনন্দৰ এনেহে লাগিল যেনিবা ইমান সময় ধৰি সি সপোনহে দেখি আছিল!

বিনন্দই তাত এজোপা বিৰাট ওখ গছ দেখা পাই গছত উঠিল। তেতিয়া প্ৰচণ্ড জোৰে তাৰ হাড়লৈকে কঁপাই তুলিছিল। এই গছজোপাত বিনন্দই খোৰোং এটা দেখা পাই ভাবিলে: কেনেবাকৈ এই খোৰোঙত সোমাব পাৰিলে জাৰৰ প্ৰচণ্ডতাৰপৰা ৰক্ষা পৰিব পাৰোঁ। —এই কথা ভাবি বিনন্দ সেই খোৰঙত সোমালগৈ আৰু খোৰোঙৰ মাজেদি বহু তললৈ নামি গ'ল।

খোৰোঙৰ বাটেদি যিমানেই গৈ থাকিল, সিমানেই বাটে পোহৰালি মেলি থাকিল। বিনন্দৰ দেহ-মন তেতিয়া ক্লান্ত-অৱসন্ন! এই দৰে, সেই খোৰোঙৰ মাজেদি বহু দূৰলৈ গৈ বিনন্দই এখন ফুলে ফুলে জাতিষ্কাৰ হৈ থকা ফুলনি দেখা পালে। কেৱল ফুলনিয়েই নহয়, তাত এটা মন্দিৰো আছিল। অবাক বিস্ময়ৰে বিনন্দই ভাবি থাকিল: এজোপা গছৰ খোৰোঙেদি এনেহেন মনোমোহা ঠাই এডোখৰলৈ আহিব পাৰিনে!

"এই কথাতনো ইমান আচৰিত হ'বলগীয়া কি আছে?" বিনন্দই এই কথা কোনোবাই কোৱা শুনিলে।

অতি ধীৰ শান্ত পদক্ষেপে এগৰাকী বৃদ্ধক আগুৱাই অহা দেখি বিনন্দই বুজি পালে এইগৰাকী বৃদ্ধ মন্দিৰৰ পুৰোহিতেই হ'ব। বিনন্দই বিনম্ৰভাৱে ক'লে, "আপুনি

কেৱল বৃদ্ধয়েই নহয়, নিশ্চয় অতি অলৌকিকৰূপে অভিজ্ঞও। আপুনি বাৰু কেনেকৈনো মোৰ মনৰ এই কথাখিনি জানিলে? এজোপা সাধাৰণ গছৰ খোৰোঙৰ মাজেদি যে এনেহেন এডৰা বিৰাট সুন্দৰী ফুলনিলৈ কেনেকৈ আহিব পাৰি—এতিয়াও মই সেই কথাৰ আগ-গুৰি ঠাৱৰ কৰিব পৰা নাই। মোক এই ৰহস্যৰ কথা খুলি-মেলি ক'বনে?"

"কোন ঠাই কিমান বিৰাট—তাৰ জোখ-মাখ কেনেকৈ কৰিবা? তাৰ জোখ-মাখ একোপধ্যে কৰিব নোৱাৰি।" বৃদ্ধ পুৰোহিতে বিনন্দক ক'লে।

"কিয় নোৱাৰি? নিশ্চয় পাৰি। এহাত-দুহাতকৈ জোখ ল'ম।" বিনন্দই বৃদ্ধ পুৰোহিতক ক'লে।

"তেনেকৈ জুখিলেও জুখিব পাৰিবা—পিছে—তাৰে এবিধৰ আনন্দ লভিলেও জোখ-মাখ নহ'ব। কিয়নো—স্থল—ভূমি—হ'ল অখণ্ড। ভূমি অন্তহীন, সীমা-বিহীন। এই কথা ন'কৈ ভাবি চালেহে মোৰ কথাৰ অৰ্থ বুজিবা।" বৃদ্ধই ক'লে।

বিনন্দৰ ধাৰণা হ'ল যে বৃদ্ধ পুৰোহিতৰ কথাত ভালেখিনি সত্যতা আছে। বিনন্দই প্ৰশ্ন কৰিলে, "তথাপি—যিকথা মই মোৰ মনতে ভাবি আছিলোঁ,আপুনি কেনেকৈনো সেই কথাৰ উৱাদিহ পালে?"

"ইয়াত কোনেও সুকীয়াকৈ একো চিন্তা নকৰে। এই ভূমিৰ অন্যতম গুণ হ'ল যে এয়ে যে—মই তোমাক দেখা পোৱাৰ দৰে তোমাৰ হৃদয়ৰ অৱস্থাও একেদৰেই দেখা পাইছোঁ।" পুৰোহিতে নিৰ্লিপ্তভাৱে ক'লে।

লগে লগে বিনন্দৰো মত গ'ল পুৰোহিতৰ মনৰ অৱস্থাৰ বুজ লোৱাৰ। বিনন্দই পুৰোহিতলৈ তীব্ৰ দৃষ্টিৰে চালে, আৰু জানিবলগাখিনি অতি সহজেই তথা তৎমুহূৰ্ত্তই জানি ল'লে। [অহা সংখ্যাত

অলৌকিকত্বৰ বিপদ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, অলৌকিকত্বৰ ওপৰত নিৰ্ভৰ কৰি কদাপি কোনো কাৰ্য্য নকৰিবা। কিয়নো—সফলতা-বিফলতাবোৰ বিভিন্ন পৰিস্থিতিৰ ওপৰতহে নিৰ্ভৰশীল—অলৌকিকত্বৰ ওপৰত নহয়। এই বিষয়ে তোমাক এটা ধাৰণা দিবলৈ এতিয়া মই দেৱগুপ্তৰ কাহিনী ক'ম। এই কাহিনী শুনি শুনি গৈ থাকিলে পথৰ ক্লান্তি পাহৰাৰ উপৰিও সফলতা-বিফলতাৰ বিষয়ে থূলমূল আভাস এটা নিশ্চয়েই পাবা।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'



সুপ্ৰাচীন কালত হংসগিৰি নামৰ এখন ৰাজ্য আছিল। এই ৰাজ্যত নন্দগুপ্ত নামৰ নামৰ এগৰাকী বৃদ্ধ বসবাস কৰিছিল। বৃদ্ধ নন্দগুপ্তৰ একমাত্ৰ পুত্ৰৰ নাম আছিল দেৱগুপ্ত।

নন্দগুপ্তৰ ওচৰত আছিল মণি-মুকুতা-খচিত এক অপূৰ্ব-অপৰূপ মুকুট।

পুত্ৰ দেৱগুপ্ত ডাঙৰ হ'ল; কিন্তু উপাৰ্জনশীল নহ'ল। বহু চেষ্টা-প্ৰচেষ্টা কৰিও একোপধ্যে অৰ্থ উপাৰ্জন কৰিব নোৱাৰিলে।

এদিন দেৱগুপ্তই তাৰ দেউতাকক ক'লে, "দেউতা, তোমাৰ উদ্দেশ্য যে কি, মই অনুমান কৰিব পৰা নাই। হাজাৰ হাজাৰ মুদ্ৰা মূল্যৰ মুকুট ঘৰত পেলাই থৈ ইমান অসহ্য কষ্টৰ মাজেদি দিনৰ পাছত দিন চলি থকাৰ সাৰ্থকতানো কি?"

দেউতাক নন্দগুপ্তই পুত্ৰ দেৱগুপ্তক ক'লে, "বোপা, এই মুকুটখন সাধাৰণ মানুহে কিনিব পৰাবিধৰ নহয়। এই মুকুট পিন্ধি দেশৰ ৰজাৰ ওচৰলৈ গ'লে ৰজাই তেওঁৰ কন্যাৰ—অৰ্থাৎ দেশৰ ৰাজকুঁৱৰীৰ সৈতে বিয়া পাতি দিব। অৱশ্যে—মোৰ দিনত এনেকুৱা চেষ্টা মই কদাপি কৰা নাছিলোঁ, বা আমাৰ জীৱনত তেনেহেন কোনো ঘটনাও ঘটা নাছিল।"

দেৱগুপ্তই ভাবিলেঃ এই মুকুটখন বেচি সেই টকাৰে বেহা-বেপাৰ কৰিব পাৰি। বেপাৰত লাভৰো উপৰি লাভ যেতিয়া হ'ব—তেতিয়া আন এখন মুকুট কিনিলেই হ'ল। —এনেবোৰ কথা ভাবি, ৰাজকুঁৱৰীক বিয়া কৰোৱাৰ মনেৰে দেৱগুপ্ত ৰাজধানীলৈ গুলাবলৈ যো-জা কৰি থাকোঁতে কথাটো উমানতে ধৰিব পাৰি দেউতাক নন্দগুপ্তই তাক এনে কাৰ্য্য কৰাত টানকৈ বাধা দিলে।

কিছু দিনৰ পাছত বৃদ্ধ নন্দগুপ্তৰ মৃত্যু হ'ল। দেউতাকৰ মৃত্যুৰ পাছত দেৱগুপ্তই সেই ৰত্নখচিত মুকুটখন মেঘনাথ

নামৰ এজন ধনী মানুহৰ ওচৰত দহ হেজাৰ মুদ্ৰাৰ বিনিময়ত বেচিলে। এই দহ হেজাৰ মুদ্ৰাৰে দেৱগুপ্তই সাগৰ পাৰ হৈ বাণিজ্য কৰিবলৈ ধৰিলে। বৈদেশিক বাণিজ্য কৰি দেৱগুপ্তৰ লাভৰো উপৰি লাভ হ'ল। কিন্তু কিছু দিনৰ পাছত মেঘনাথ তাৰ বাণিজ্যৰ এক অতি কঠিন প্ৰতিদ্বন্দ্বী হৈ উঠিল। মেঘনাথেও দেৱগুপ্তই কৰি থকা সেই একেইবিধৰ মণি-মুকুতাৰ কাৰবাৰ কৰি থাকিল।

এবাৰ একেলগে বিছ হেজাৰ মোহৰ উপাৰ্জন কৰাৰ অন্তত দেৱগুপ্তই মেঘনাথক ক'লে, "আমাৰ চৰ্ত অনুসাৰে—এই দহ হেজাৰ মুদ্ৰা লোৱা, আৰু মোৰ মুকুটখন মোক ওভোতাই দিয়া।"

"হিচাপ ইমানেই সহজনে? হিচাপৰো হিচাপ আছে, আৰু তাৰো হিচাপ আছে। দহ হেজাৰ মুদ্ৰা সুতে-মূলে সৰ্বমুঠ পঁচিছ হেজাৰ হ'ব। পঁচিছ হেজাৰ মুদ্ৰা দিলেহে তুমি মুকুটখন ওভোতাই পাবা।" মেঘনাথে বিচিত্ৰ ধৰণৰ হাঁহি মাৰি ক'লে, "এই ৰহস্যৰ ৰহঘৰা মুকুটখন মোৰ ওচৰত আছে, আৰু থাকিব।"

তেতিয়া নিৰুপায়ত পৰি দেৱগুপ্তই আগতকৈয়ো অধিক শ্ৰম কৰি বেপাৰ-বাণিজ্য চলাই থাকিল। তাৰ পাছত—এদিন ত্ৰিছ হেজাৰ মুদ্ৰাৰে সৈতে মেঘনাথৰ ওচৰলৈ গ'ল। মেঘনাথে দেৱগুপ্তৰ কথাখিনি ধৈৰ্য্য ধৰি শুনিলে আৰু ত্ৰিছ হেজাৰ মুদ্ৰা দিলেহে মুকুটখন দিব বুলি দেৱগুপ্তক ক'লে।

এই কথা শুনি অতি বিৰক্ত তথা হতাশ হৈ দেৱগুপ্তই নিজৰ গাঁও এৰি, অন্য গাঁৱলৈ গৈ, সৰুসুৰা বেহা-বেপাৰ কৰি জীৱিকা আৰ্জিবলৈ ধৰিলে। তাৰ পাছত, এদিন লাখ-লাখ মুদ্ৰা আৰ্জি, নিজ গাঁৱলৈ উভতি আহি, মেঘনাথক ক'লে, "মুকুটখন ওভোতাই দিয়াত তুমি নান'ন বাহানা কৰিছিলা। এতিয়া যদি মই তোমাক



গোপন কথা নাজানো।" দেৱগুপ্তই ক'লে।

কেইমুহূর্তমান কিবা কথা ভাবি লৈ মেঘনাথে ক'লে, "তেনেহ'লে—মুকুটখন যদি ওভোতাই দিওঁ—সকলো সা-সম্পদ অর্থাৎ ঘৰ-দুৱাৰ মাটি-বাৰী এৰি একবস্ত্রে গুচি যাবাগৈনে ?"

এই মুকুটখনৰ সহায়ত যুৱৰাণীক বিবাহ কৰাৰ মনোবাঞ্ছা পুৰণাৰ্থে দেৱগুপ্তই তাৰ আটাইখিনি ধনৰ বিনিময়ত সেই পুৰণিকলীয়া ৰহস্যময় মুকুটখন মেঘনাথৰ-পৰা তেতিয়া ওভোতাই ল'লে।

মেঘনাৰপৰা মুকুটখন ওভোতাই লোৱাৰ পাছত পুনৰ বেপাৰ কৰিবলৈ দেৱগুপ্তই চিনাকি-আধাচিনাকি লোকসকলৰপৰা ঋণ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু কোনেও দেৱগুপ্তক ঋণ নিদিয়া হ'ল। দিনে দিনে দেৱগুপ্তৰ আর্থিক অৱস্থাই বেয়ালৈ ঢাল ল'লে। কিছুদিনৰ পাছত তাৰ চৰুত চাউলো নোহোৱা হ'ল। তেতিয়া এদিন সি মেঘনাথৰ ওচৰলৈ পুনৰ বাধ্যত পৰি গ'ল আৰু মেঘনাথক ক'লে, "মেঘনাথ, তোমাক আজি মই মুকুটখনৰ গুপুত ৰহস্যৰ কথা ক'ম আৰু—আৰু চিৰজীৱনৰ বাবে এই মুকুট তোমাৰ ওচৰতে বেচি দিম। এই মুকুটখন পিন্ধি যিকোনো দেশৰ ৰজাৰ ওচৰলৈ যোৱা যদি—সেই

এক লাখ মুদ্রা দিওঁ, সেই মুকুটখন ওভোতাই দিয়াত নিশ্চয় আৰু একো ওজৰ নেদেখুৱাবা। নে আকৌ নানান বাহানা কৰি থাকিবা মুকুটখন নিদিবলৈ ?"

এই কথা শুনি অবাক হৈ পৰা মেঘনাথে ক'লে, "এই মুকুটখন যেনেতেনে লৈ যাবলৈ তুমি যেনেকৈ যি কৰিছা, তাৰে মুকুটখনৰ গুৰিত কিবা ৰহস্য থকা যেন পাওঁ। গতিকে—যদি তোমাৰ আপত্তি নাই—মোক অলপ খুলি-মেলি ক'বানে মুকুটখনৰ বিষয়ে ?"

"শুনা, মুকুটখনৰ বিষয়ে তোমাৰ প্রশ্নৰ উত্তৰ মই দিম, কিন্তু—কোনো ৰহস্য বা

দেশৰ ৰজাই প্ৰসন্ন মনেৰে ৰাজকুঁৱৰীৰ সৈতে তোমাৰ বিয়া পাতি দিব। তুমি পুনৰ মুকুটখন কিনি লোৱা, তেতিয়া মই সেই ধনেৰে পুনৰ বেপাৰ-বণিজ কৰিম।"

মেঘনাথে মুকুটখন হাতত লৈ ক'লে, "তোমাক ধন দিয়াৰ অৰ্থ হ'ল—মোৰ বেপাৰ বাণিজ্যৰ প্ৰতিদ্বন্দ্বী সৃষ্টি কৰা। সেই কামটি মই নকৰোঁ। তুমি এতিয়াই এই ঠাই এৰি গুচি যোৱা। ইয়াত মোৰ ঢেৰ মানুহ আছে। ৰিং এটা মাৰিলেই সিহঁতে তোমাক মুহূৰ্ততে মাৰি পেলাবহি। গতিকে—যদি জীয়াই থকাৰ মন আছে, গুচি যোৱা। কেৱল এই ঠাইৰপৰা গুচি গ'লেই নহ'ব, এই গাঁও এৰি তথা এই দেশ এৰিও গুচি যাব লাগিব।"

দেৱগুপ্ত আছিল অতি ভয়াতুৰ মানুহ। মেঘনাথৰ কথা শুনি, ভয় খাই তৎক্ষণাৎ সি সেই গাঁও তথা দেশ এৰি আন ঠাইলৈ গুচি গ'ল।

দেৱগুপ্ত আন এখন গাঁৱলৈ নহয়, আন এখন দেশলৈ গ'ল, আৰু তাতো বেহা-বেপাৰ কৰি নিজৰ অৱস্থা পুনৰ টনকিয়াল কৰি তুলিলে আৰু কিছু কালৰ অন্তত দেৱগুপ্তও এই দেশৰ অন্যতম ধনী তথা অত্যন্ত মান্যৱন্ত এগৰাকী ব্যক্তিৰূপে প্ৰতিষ্ঠিত হ'ল।

বহু দিনৰ অন্তত এদিন দেৱগুপ্তৰ ঘৰলৈ এজন ভিখাৰী আহিল। ভিখাৰীয়ে দেৱগুপ্তক ক'লে, "দেৱগুপ্ত, তুমি কিজানি মোক চিনি পোৱা নাই। মই মেঘনাথ। অৱস্থা-বিপাকত পৰি মই মোৰ সৰ্বস্ব হেৰুৱালোঁ, কেৱল সেই মুকুটখনহে আৰু আছে। ইয়ালৈ অহাৰ পাছৰেপৰাই তোমাৰ নাম মানুহৰ মুখে মুখে শুনি এই মুকুটখন তোমাক ওভোতাই দিবলৈ তোমাক বিচাৰি আহিলোঁ। তুমি ৰাজপোছাক পিন্ধি মুকুটখনৰে সৈতে গৈ যিকোনো ৰাজকুঁৱৰীক বিয়া কৰোৱাগৈ।"

ভিখাৰী মেঘনাথৰ কথাৰ উত্তৰত

দেৱগুপ্তই ক'লে, "মোক মুকুটখন নালাগে।"

দেৱগুপ্তলৈ কেইমুহূৰ্তমান উকা দৃষ্টিৰে চাই থকাৰ পাছত বিভ্ৰান্ত-বিবুদ্ধি হৈ পৰা সেই ভিখাৰী মেঘনাথ থৰক-বৰক খোজেৰে তাৰপৰা গুচি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা! যিজন দেৱগুপ্তই মুকুটৰ ৰহস্য মেঘনাথক একোপধ্যে নকৈছিল, সেইজন দেৱগুপ্তই সেই মহামূল্যৱান মুকুটখন পায়ো নল'লে কিয়? কিয় সেই মুকুটৰ সহায়ত কোনোবা ৰজাৰ কুঁৱৰীক দেৱগুপ্তই বিয়া নকৰালে? মোৰ এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও সঠিককৈ নিদিলে, তোমাৰ মূৰ ফাটি চাৰিফাল হোৱাৰপৰা কোনেও তোমাক ৰক্ষা কৰিব নোৱাৰিব—এই কথা শিলৰ ৰেখা বুলি জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যাই ক'লে, "মুকুটখনৰ যে মহিমা কিবা এটা আছিল সেই কথাত সন্দেহ নাই। কিন্তু সেই মহিমাক কোনেও কামত লগাব নোৱাৰিলে। আচল কথা হ'ল—মুকুটৰ গোপন ৰহস্য উদ্ধাৰ কৰিবলৈ কোনেও চেষ্টা কৰা নাছিল। আৰু তাৰ কাৰণেই—মুকুটৰ মাজত থকা অলৌকিক শক্তিয়ে ক্ৰুদ্ধ হৈ মেঘনাথক ভিখাৰী কৰি পেলাইছিল। কিয়নো—মেঘনাথে মুকুটখনক লোভৰ প্ৰতীক কৰি তুলিছিল। দেৱগুপ্তই ক্ৰুদ্ধ মুকুটৰ এই শক্তিৰ কথা অনুমান কৰিয়েই সেই মুকুট আৰু কদাপি নোলোৱা হ'ল, মুকুটখনৰ কথা পাহৰি পেলাবলৈ প্ৰতিজ্ঞা কৰিলে, আৰু মুকুটৰ মাজত থকা অলৌকিক শক্তিৰ সহায়তা লোৱাতকৈ সাধাৰণজীৱন-যাপন পদ্ধতিকে আঁকোৱালি ল'লে।"

বিক্ৰমাদিত্যাই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



জীৱনৰ বাটত

সুপ্ৰাচীনকালৰেপৰাই চীনদেশত ৰজাৰ অধীনত চাকৰিপ্ৰাৰ্থীয়ে বিভিন্ন পৰীক্ষা দিবলগীয়া হৈছিল। এয়া পোন্ধৰ শতিকাৰ কথা। পাও ছান নামৰ যুৱক এজন পৰীক্ষাৰ্থী হিচাপে ৰাজধানীলৈ গৈ থাকোঁতে বাটত তাৰ সহযাত্ৰী আন এজন যুৱক পৰীক্ষাৰ্থৰ্বী প্ৰচণ্ড বুকুৰ বিষ উঠিল। তেতিয়াপাও ছানে তাৰ পৰীক্ষাৰকথা পাহৰি সহযাত্ৰীক সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰিলে। কিন্তু অলপ পাছত সহযাত্ৰীজন ঢুকাল।

অচিনাকি মৃত যুৱকৰ চোলাৰ জেপত আছিল কেইখিলামান কাগজ আৰু দহটা ৰূপৰ মুদ্ৰা। পাও ছানে কাগজকেইখিলা মৃতদেহৰ ওপৰত, ৰূপৰ মুদ্ৰাকেইটা মৃতকৰ মূৰৰ তলত থৈ, মৃতদেহ কবৰস্থ কৰিলে।

কবৰ দিয়াৰ পাছত পাও ছানে চলচলীয়া চকুৰে সেই কবৰলৈ চাই ক'লে, 'হে বন্ধু, তোমাৰ ঠিকনা মই নাজানো, যদি তোমাৰ ক্ষমতা আছে, তোমাৰ আপোনজনসকলক ইয়ালৈ মাতি আনা, তেওঁলোকে তোমাক চাই যাওকহি। মই এটা জৰুৰী কামলৈ ওলাইছোঁ, এতিয়া গুচি যাম মই। তোমাৰ কাৰণে মই মই বিশেষ একো কৰিব নোৱাৰিলোঁ, তুমি মোক ক্ষমা কৰিবা।" এই বুলি কৈ পাও ছানে ৰাজধানীলৈ বুলি খোজ ল'লে।

পাও ছানে সময় মতে পৰীক্ষা দিলে, আৰু সি পৰীক্ষাত প্ৰথম স্থান পাই চাকৰিৰ বাবে নিৰ্বাচিত হ'ল।

এতিয়া পাও ছান ৰাজধানীত থাকে, ৰজাৰ কাম কৰে। কিছু দিনৰ অন্তত এটা বিচিত্ৰ ঘটনা ঘটিল। এটা ঘোঁৰা

'চীনদেশৰ লোক-কথা'

পাও ছানৰ ওচৰলৈ আহিল। ঘোঁৰাটো পাও ছানৰ কাষেই নেৰা হ'ল, আৰু আন কাৰো ওচৰলৈ নোযোৱা হ'ল।

বহু দিনৰ পাছত এদিন পাও ছান তাৰ গাঁৱলৈ বুলি ৰাওনা হ'ল সেই ঘোঁৰাটোৰ পিঠিত উঠি। বাটত এগৰাকী বিশিষ্ট অভিজাত ব্যক্তিৰ সৈতে সাক্ষাৎ কৰিবৰ মনেৰে পাও ছান ঘোঁৰাটোৰ পিঠিৰপৰা নামি অভিজাত ব্যক্তিৰ এই অট্টালিকাৰ পৰীয়াক নিজৰ নামটো ক'লে।

পৰীয়াই পাও ছানক অলপ ৰ'বলৈ কৈ ঘৰৰ গৰাকীক ক'লেগৈ, "দেউতা, পাও ছান নামৰ এই মানুহজনে যিটো ঘোঁৰাৰ পিঠিত উঠি আহিছে, সেই ঘোঁৰাটো হ'ল আপোনাৰ হেৰাই যোৱা ঘোঁৰাটো!

গিৰিহঁতে পৰীয়াক ক'লে, "পাও ছান! তেওঁ তো ডাঙৰ পণ্ডিতলোক! যা যা, ঘৰৰ ভিতৰলৈ লৈ আহগৈ যা।"

গিৰিহঁতে পাও ছানক ইকথা-সিকথাৰ মাজত সুধিলে, "এই ঘোঁৰাটো যোৱা বছৰ মই হেৰুৱাইছিলোঁ। আপুনি এই ঘোঁৰাটো পালে কেনেকৈ?"

"মই ৰাজধানীলৈ যাওঁতে মোৰ সহযাত্ৰী এজন যুৱক বুকুৰ বিষ উঠি ঢুকাইছিল। আৰু—" তাৰ পাছত পাও ছানে গিৰিহঁতক সেই মৃত যুৱকৰ সকলো বৃত্তান্ত ক'লে।

গিৰিহঁতে ক'লে, "আপুনি যাৰ কথা কৈছে—সি মোৰেই পুত্ৰ।"

পাছদিনা পাও ছানৰ লগত গৈ তেওঁ নিজৰ পুত্ৰৰ মৃতদেহ উলিয়ালে।

পাও ছানে—এই অচিনাকি যুৱকৰ যি সেৱা-যত্ন কৰিছিল, আৰু তাৰ মৃত্যুৰ পাছতো যেনেকৈ শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল, তাৰ বাবে মুগ্ধ-অভিভূত হৈ, দেশৰ ৰজাক ঘটনাৰ কথা কৈ, পাও ছানক দেশৰ অন্যতম বিচাৰক ৰূপে প্ৰতিষ্ঠিত কৰিলে।

ন্যায়ৱান বিচাৰক হিচাপে পাও ছান চীনদেশত অমৰ কীৰ্তিৰ অধিকাৰী হৈছিল।

চান্দমামাৰ ক্ৰোড়পত্ৰ

জ্ঞানভাণ্ডাৰ

ইতিহাসৰপাতৰপৰা এই মাহৰ ব্যক্তিত্ব

গুৰু নানক

১৪৬৯ চনৰ কাতি-পূৰ্ণিমাৰ নিশা (নভেম্বাৰ) বৰ্তমানে তেওঁৰ নামতে নামকৰণ কৰা পঞ্জাবৰ নান্‌কানা নামৰ ঠাইত নানকে জন্মগ্ৰহণ কৰিছিল।

বিদ্যালয়তে নানকৰ শিক্ষকসকলে নানকক প্ৰশ্ন সোধাতকৈ নানকেহে শিক্ষকসকলক অধিক প্ৰশ্ন সুধিছিল। নানকৰ প্ৰায় সকলো প্ৰশ্নয়েই আছিল ঈশ্বৰ আৰু সত্য-সম্বন্ধীয় প্ৰশ্ন। নানকৰ দেউতাকে নানকৰ ১৪ বছৰ বয়সতে বিয়া পাতি দি ছুলতানপুৰ নামৰ ঠাইত কামত লগালে। জাগতিক কৰ্মকাণ্ডই তেওঁক অধিক দিনলৈ আবদ্ধ ৰাখিব নোৱাৰিলে। তেওঁ চাকৰি এৰি দেশৰ সকলোতে চকৰিৰ দৰে ঘূৰি ফুৰিবলৈ ধৰিলে আৰু ঈশ্বৰৰ একত্ব তথা ঈশ্বৰ আগত সকলো মানুহ যে একেই—সেই কথা প্ৰচাৰ কৰি থাকিল। তেওঁ ক'লে যে 'সত্য' হিন্দু বা ইছলাম কোনো ধৰ্মৰেই এদনীয়া সম্পত্তি নহয়।

শেষ জীৱনত তেওঁ বিপাশা নৈৰ তীৰস্থ কৰ্তাৰপুৰ নামৰ ঠাইত বসতি স্থাপন কৰিছিল। তেওঁৰ প্ৰচাৰিত ধৰ্মবিশ্বাস শিখধৰ্মৰূপে জনাজাত হৈছিল। তেওঁ ৭০ বছৰ বছৰ বয়সতে ইহলীলা সামৰিছিল। মৃত্যুৰ অন্তত তেওঁৰ অগণিত হিন্দু ভক্তৰ দৰে মুছলমান ভক্তসকলেও তেওঁৰ মৃতদেহ লৈ যাবলৈ দাবী জনালে। কিন্তু যেতিয়া মৃতদেহ ঢকা কাপোৰ দাঙি লোৱা হ'ল তেতিয়া মৃতদেহৰ সলনি কিছুমান ফুল তাত পাৰ আছিল। ভক্তসকলে সেই ফুলখিনিকে ভগাই লৈ গ'ল।

তেওঁ কোন?

তেতিয়া নিমজ্জ অন্ধকাৰ। নৈৰ পাৰত থকা কালী গোসাঁনীৰ মন্দিৰত এজন যুৱকে হুৱাওৱাৰে কান্দি কান্দি গোসাঁনীক ক'লে, আজিৰ অবমাননাৰ পাছত। "মই জীৱনৰ প্ৰতি সকলো আকৰ্ষণ হেৰুৱাই পেলাইছোঁ। মই তোমাৰ আগত মৰিম!"

"এনে কাৰ্য্য নকৰিবা!" "আত্মঘাতী আত্মাই অধিক কষ্ট পাব।" গোসাঁনীয়ে ক'লে।

"তেনেহ'লে হে মাই গোসাঁনী, মোক পাণ্ডিত্য প্ৰদান কৰা।"

"বোপা, পাণ্ডিত্য আৰ্জিবলৈ তোমাক সাতোটি জনমৰ আৱশ্যক হ'ব।" দৈৱবাণীয়ে ক'লে।

"তেনেহ'লে মই নিশ্চয় মৰিম" এই বুলি কৈয়েই যুৱক মৰিবলৈ সাজু হ'ল।

তেতিয়া আই গোসাঁনীয়ে যুৱকক তাতেই সাতবাৰ মাৰি সাতবাৰ জনম দিলে আৰু এই যুৱক বিজ্ঞ পণ্ডিত হ'ল।

এই যুৱক কোন আছিল?

বিজ্ঞানৰ মজা

আকৰ্ষণ



কেনেকৈ কি কৰিব লাগিব ঃ

এডাল তাঁৰৰ লগত এটা পিংপং বল ফিতাৰে লগাই লোৱা। তাৰ পাছত, চিত্ৰত দেখুউৱাৰ দৰে, কলৰ পানীৰ একাষত বলটো স্পৰ্শ কৰাই তাঁৰডালত ধৰি থাকা। কলৰপৰা ওলাই অহা পানীয়ে বলটোক আকৰ্ষণ কৰিছেনে? বলটো আংশিকভাৱে পানীৰ ধাৰাৰ মাজতে থাকিছেনে?

কি ঘটিছে আৰু কিয় ঘটিছে

বৈ থকা পানীৰ ধাৰাই বলটোক আকৰ্ষণ কৰিছে। পানী তৰল আৰু গতিশীল হোৱাহেতুকে এই ঘটনা ঘটিছে। গতিশীল তৰল পদাৰ্থই তাৰ গতিপথৰ পিনে ক্ৰিয়াশীল হয় আৰু কাষৰ ফালে যৎ-সামান্য চাপ সৃষ্টি কৰে। এই কাৰণে গতিশীল পানীৰ ধাৰাই বলটোৰ ওপৰত যিমান চাপ সৃষ্টি কৰিব পাৰে, বলটোৰ আন কাষত থকা বায়ুৱে তাতকৈ অধিক চাপ সৃষ্টি কৰে।

পানী যেতিয়া সবেগে বলটোৰ ওপৰত পৰিব, তেতিয়া বলটোক পানীৰ ধাৰাৰপৰা আঁতৰাই লোৱা টান হ'বনে? যেতিয়া পানীৰ ধাৰা লাহেকৈ পৰিব, তেতিয়া কি হ'ব? যদি নলীৰপৰা পানী অতিপাত বেগতে ওলায়, তেনেহ'লে বলটো পানীৰপৰা আঁতৰাই ল'বলৈ কিমান শক্তিৰ আৱশ্যক হ'ব? পিংপং বলৰ সলনি অন্য বল হ'লেও অৱস্থা এনেই হ'বনে? এইবোৰ কথা থৰচি মাৰি জানিবলৈ নিজেই চেষ্টা কৰি চোৱাচোন?

বাটত পৰি থকা এটি বায়ুপূৰ্ণ বেলুন, বা এটুকুৰা কাগজ—সেই বাটেদি দ্ৰুতগতিৰে গৈ থকা মটৰ-গাড়ীখনৰ পিনেহে গতি ল'ব। নহয়নে? কিয় তেনেকুৱা ঘটিব—এতিয়া বুজি পাইছানে বাৰু?

অবাক পৃথিৱীৰ আচৰিত বস্তু

পিৰামিড

পাঁচ হাজাৰ বছৰৰ আগেয়ে (আনকি তাতোকৈ আগতে) ফাৰাও নামৰ শক্তিশালী সম্ৰাটসকলে মিছৰদেশ শাসন কৰিছিল। যেতিয়া কোনোবা ফাৰাওৰ মৃত্যু হৈছিল, তেওঁৰ মৃতদেহত পচন-নিবাৰক সুগন্ধি আৰক সানি শৰাধাৰত সংৰক্ষিত কৰি থোৱা হৈছিল। তাৰ পাছত সেই শৰাধাৰ এক বিৰাট ওখ প্ৰস্তৰ-নিৰ্মিত কীৰ্তিস্তম্ভৰ মাজত থৈ দিছিল। এই বিৰাট ওখ আয়তাকাৰ পাথৰৰ স্তম্ভ হ'ল শীৰ্ষবিন্দুত জোডা আওগৰীয়া তিনিসিৰীয়া পিৰামিড।

যিবিলাক পিৰামিড আজিও অটুট হৈ আছে, সেইবিলাকৰ ভিতৰত কাইৰো নগৰীৰ অনতিদূৰত মৰুভূমিৰ মাজত থকা তিনিটা পিৰামিড অতি বিস্ময়কৰ। এই তিনিটা পিৰামিডৰ মাজত আটাইতকৈ ডাঙৰ আৰু প্ৰাচীন :'ল সম্ৰাট খুফু বা কিয়ফৰ পিৰামিড।

এই পিৰামিড.টা যিমান ঠাই জুৰি আছে, সেই ঠাইত পৃথিৱীৰ বিখ্যাত বিখ্যাত কীৰ্তিস্তম্ভ, যেনে ৰোমৰ ছে'ণ্ট পিতৰ্ছ কেথিড্ৰাল, ওৱেস্টমিনস্টাৰ আবে আৰু অন্যান্য তিনি-চাৰি বৃহৎ চৰ্চ:কা ভৰাই থ'ব পাৰি। এই পিৰামিড:টো নিৰ্মাণ কৰোঁতে ১০০,০০০ মানুহে ২০ বছৰ ধৰি কাম কৰিবলগীয়া হৈছিল। এয়া ৪,৭০০ বছৰৰ আগৰ কথা।

"আজিৰ দিনত, বিংশ শতিকাৰ কোনো স্থপতিয়ে কিয়ফৰ এই পিৰ'মিডৰ হুবহু পিৰামিড এটা সাজি উলিয়াব নোৱাৰিব।"

আজিৰ দিনৰ এগৰাকী গ্ৰন্থকাৰে উক্ত কথাখিনি কৈছে।—এই গ্ৰন্থকাৰগৰাকীৰ নাম এৰিখ ফন্ ডানিকার্ন।



মোজেছৰ অলৌকিক কাৰ্য্যাৱলী

এয়া হাজাৰ হাজাৰ বছৰৰ আগৰ কথা। মিছৰদেশৰ সম্রাট ফাৰাওৰ জীয়েকে নীল নৈত স্নান কৰি আছিল। হঠাৎ সম্রাট-কুঁৱৰীয়ে সবিস্ময়ে দেখা পালে যে সৰু পিপা এটাৰ ভিতৰ প্ৰায় তিনিমহীয়া ল'ৰা এটি নৈৰ পানীত উটি গৈছে। সম্রাট-কুঁৱৰীয়ে কেঁচুৱাটিক উদ্ধাৰ কৰিলে।

কুঁৱৰীয়ে এই কথা ভালকৈ জানিছিল যে তেওঁৰ আব্বাজান (পিতৃ) ফাৰাওৱে মিছৰদেশত ইহুদী লোকৰ সংখ্যা ক্ৰমাত বাঢ়ি যোৱাত যিসকল হিব্ৰু (ইহুদী) শিশুক পানীত ডুবাই মাৰিব বুলি স্থিৰ কৰিছে, এই শিশুটিও নিশ্চয় তাৰে এটি।



এই শিশুটিৰ বাইদেৰেকে সম্ৰাট-কুঁৱৰীৰ এই ঘটনা দূৰৰপৰা দেখা পাই কুঁৱৰীৰ ওচৰলৈ গৈ সুধিলে যে এই শিশুটিৰ আলপৈচান ধৰাৰ বাবে তেওঁক কোনো লিগিৰী লাগেনেকি। তেতিয়া সম্ৰাট কুঁৱৰীয়ে শিশুটিক এই ছোৱালীজনীৰ হাতত গটাই দিলে আৰু কুঁৱৰীৰ আদেশ-ক্ৰমে ছোৱালীজনীয়ে শিশুটিক তাইৰ নিজৰ মাতৃৰ ওচৰলৈ লৈ গ'ল।

তেতিয়াৰ মিছৰীয়সকলে ইহুদীসকলক ক্ৰীতদাসৰ দৰে খটুৱাইছিল আৰু অতি তুচ্ছ কাৰণতে অত্যাচাৰ কৰিছিল. মাৰি পেলাইছিল।

ওল্ড টেস্টামেণ্টত (পবিত্ৰ বাইব্‌ল্) থকা 'প্ৰস্থান' নামৰ অধ্যায়ত বৰ্ণোৱা হৈছে: জোপোহাত জ্বলি থকা জুইৰ প্ৰতি মোজেছে চাই পঠালে; কিন্তু এই জুয়ে জোপোহাৰ গছ-বন নজ্বলিল! মোজেছে এই জুইৰ মাজতে প্ৰভুক দেখা পালে। প্ৰভুৱে মোজেছক ইহুদী লোকসকলৰ নেতৃত্ব গ্ৰহণ কৰিবলৈ ক'লে। প্ৰভুৱে মোজেছক অলৌকিকত্বৰ শিক্ষা প্ৰদান কৰিলে।

মোজেছে তেওঁৰ নিজৰ সম্প্ৰদায়ৰ (ইহুদী) লোকসকলক নিজ-দেশৰপৰা গুচি যাবলৈ দিয়াৰ বাবে সম্ৰাট ফাৰাওক খাটিলে। কিন্তু প্ৰতাপান্বিত ফাৰাওৱে মোজেছৰ কথা কাণতো নুতুলিলে। তেতিয়া মোজেছে অলৌকিকত্বৰ পিছত অলৌকিকত্ব প্ৰদৰ্শন কৰি থাকিল। নীল নৈৰ পানী মোজেছে তেজলৈ ৰূপান্তৰিত কৰিলে। সমগ্ৰ মিছৰদেশখনক ভেকুলী কাকতিফৰিং আৰু কৌটি কৌটি ওকণিৰে

ঢাকি পেলালে। তাৰ পাছত বলিল দুৰন্ত ধুমুহা, লগতে বানপানী। ধুমুহা বান-পানীৰ কোবত সমগ্ৰ মিছৰদেশৰ শস্য নষ্ট হ'ল। মাউৰে দেখা দিলে। আৰু—তেতিয়াহে ফাৰাওৱে ইহুদী লোকসকলক মিছৰ-দেশ পৰিত্যাগ কৰিবলৈ অনুমতি দিলে।

মোজেছে ইহুদীসকলক ইজ্ৰায়েললৈ আগ বঢ়াই লৈ যাবলৈ ধৰিলে। বাটত পৰিল ৰঙা সাগৰ। কিন্তু মোজেছক আৰু তেওঁৰ লগৰীয়াসকলকো সাগৰে দুভাগ হৈ বাট উলিয়াই দিলে।

ইহুদীসকলে তেওঁলোকৰ পবিত্ৰ ভূমি পালেগৈ; কিন্তু সেই ভূমিত পদক্ষেপ কৰাৰ আগমুহূৰ্ততে মোজেছে শেষ নিঃশ্বাস ত্যাগ কৰিলে।

এই ঘটনাৰ একাংশক ইতিহাস হিচাপে মানি লোৱা হৈছে। এই আকস্মিক ঘটনাই এক নতুন জাতিৰ অভ্যুত্থানৰ সূচনা কৰিছিল।

আহাঁ ভাৰতৰ অতীতলৈ জুমি চাওঁ

১. কোনখন সুপ্ৰাচীন নগৰীৰ নাম দুখন নৈৰ নামৰপৰা লোৱা হৈছিল বুলি অনুমান কৰা হয়?

(ক) সেই নৈ দুখনৰ নাম কি?

(খ) কোনখন বৃহৎ নৈৰ সৈতে সেই নৈ দুখন যুক্ত?

(গ) সেই নগৰখন কিহৰ কাৰণে বিখ্যাত?

২. ভাৰতৰ কোনগৰাকী বিজেতাই তেওঁৰ মাতৃ-বংশৰ পৰিচয়েৰে পৰিচিত হ'ব খুজিছিল?

(ক) তেওঁ কেতিয়া ভাৰতলৈ আহিছিল?

(খ) তেওঁ প্ৰতিষ্ঠিত কৰা বংশৰ নাম কি?

(গ) তেওঁৰ বিখ্যাত পূৰ্বপুৰুষ কোন আছিল?

৩. আকবৰৰ ৰাজত্বৰ বিষয়ে চৰকাৰী দলিল নাম কি?

(ক) লেখক কোন আছিল?

(খ) তেওঁ লিখিত অন্যান্য কাৰ্য্যবিবৰণীৰ নাম কি আছিল আৰু তেওঁৰ প্ৰথমখন গ্ৰন্থৰ লগত সেইবোৰৰ পাৰ্থক্য কি?

৪. আৰণি-পুৰণি দিনত দক্ষিণ ভাৰত শাসনকাৰী তিনিটা বিখ্যাত ৰাজবংশৰ নাম কি?

[উত্তৰ ৮ নং পৃষ্ঠাত)

সত্য ঘটনা
বৈজ্ঞানিক উদ্ভাৱন আৰু আৱিষ্কাৰৰ পৃথিৱীত

১. নিয়ন লাইট কোনে আৰু কেতিয়া প্ৰচলন কৰিছিল?

২. ইলেক্‌ট্ৰিছিটিৰ ভাষাত একক বিজুলী পৰিবাহিতাৰ মূল্য কিমানলৈকে হ'ব পাৰে?

৩. মহাবিশ্বৰ বয়স কিমান?

৪. টেলিস্ক'প (দূৰবীক্ষণ) কেতিয়া আৰু কোনে উদ্ভাৱন কৰিছিল?

৫. সূৰ্য্য সদা-সৰ্বক্ষণ পৃথিৱীৰপৰা সম-দূৰত্বত অৱস্থিত থাকেনে?

৬. ইউ. এফ্. ও. (UFO) দেখাৰ কোনোবা বিশেষ ঋতু আছেনে?

৭. কোনখন দেশত আটাইতকৈ অধিক সংখ্যক খাতৰি-কাকত আছে?

৮. মানুহৰ হাতৰ এক স্কোৱেয়াৰ ইঞ্চি পৰিমাণ ঠাইত কিমান স্নায়ুতন্ত্ৰী থাকিব পাৰে?

৯. কোন প্ৰাণীয়ে উটতকৈয়ো অধিক সময় পানী নোখোৱাকৈ থাকিব পাৰে?

১০. কোন প্ৰাণীৰ গাৰ গোন্ধ এমাইল দূৰৰপৰাও পাব পাৰি?

[উত্তৰ : ৮ পৃষ্ঠাত]

১. কোনখন ভাৰতীয় ধৰ্মশাস্ত্ৰ আটাইতকৈ অধিক পঠিত? এইখন কেনেকৈ বৰ্ণোৱা হৈছে?

(ক) এই গ্ৰন্থত কিমান স্কন্ধ আছে?

(খ) এই গ্ৰন্থখন কোন গ্ৰন্থ?

(গ) কোন গৰাকী মহাপুৰুষ এই গ্ৰন্থৰ ৰচক?

২. কোন গৰাকী ভাৰতীয় নাট্যকাৰ আৰু কবিৰ প্ৰকৃত নাম আজিও অজ্ঞাত?

(ক) যি নামেৰে তেওঁ জনাজাত, সেই নাম তেওঁ লৈছিল কিয়?

(খ) তেওঁ কি কি নাটক ৰচিছিল?

(গ) তেওঁ কি কি কাব্য ৰচনা কৰিছিল?

৩. এগৰাকী নাৰীয়ে এখন নগৰ ভস্মীভূত কৰি পেলাইছিল বুলি এক পুৰণিদিনীয়া গ্ৰন্থত কোৱা হৈছে। সেই নগৰখনৰ নাম কি আছিল?

(ক) সেইগৰাকা নাৰী কোন আছিল?

(খ) সেই গ্ৰন্থখনৰ ৰচক কোন আছিল। কি ভাষাত সেই গ্ৰন্থ ৰচিত হৈছিল? গ্ৰন্থখন কেতিয়া ৰচিত হৈছিল? গ্ৰন্থখনৰ নাম কি আছিল? [উত্তৰ: ৮ পৃঃ

ভাৰতৰ সকলো ভাষাত এটা শব্দ আমি শিকোঁ আহাঁ

অসমীয়া: ছাত্ৰ; বাংলা: ছাত্ৰ; ইংলিচ: ষ্টিউডেণ্ট; গুজৰাটি: বিদ্যাৰ্থী; হিন্দী: ছাত্ৰ; কন্নড়: বিদ্যাৰ্থী; কাশ্মিৰী: শ্বাগিৰ্দ; মালায়ালম্: বিদ্যাৰ্থী; মৰাঠি: বিদ্যাৰ্থী; ওড়িয়া: ছত্ৰ; পঞ্জাবী: বিদ্যাৰ্থী; সংস্কৃত: বিদ্যাৰ্থীন্; সিন্ধি: ছাগিৰ্দ, তামিল: মানাভান, তেলুগু: বিদ্যাৰ্থী. উৰ্দু: তালিবিম।

বিশ্বাস কৰানে ?

* আৰ্য্যসকল এই মহাদেশৰ বাহিৰৰপৰা ভাৰতবৰ্ষলৈ আগমন কৰিছিল ?
* আমেৰিকাত পদাৰ্পণকাৰী প্ৰথমগৰাকী বাহিৰা মানুহ আছিল কলম্বাছ ?
* টোঁটোলা থকা একমাত্ৰ প্ৰাণী হ'ল কেংগাৰু ?

এ—নহয় !

* আচৰিত হ'লেও সঁচা, এই তত্ত্বৰ গুৰিত কোনো প্ৰমাণ নাই। ই নিচেই অনুমানহে মাথোন।
* নহয়। ১০০০ চনত নৰওৱেৰ লেফ এৰিকছনে আমেৰিকাত পদাৰ্পণ কৰিছিল।
* নহয়। এই বিশেষত্ব থকা প্ৰাণীবিলাকৰ মাজত কেংগাৰুও এটি। কিন্তু কোৱালা ভালুক, ওপোছাম আৰু এবিধ বাদুলিৰো এই বিশেষত্ব আছে। আন কিছুমানৰো টোঁটোলা থকা বুলি জনা গৈছে।

উত্তৰ

তেওঁ কোন ?

মহাকবি কালিদাস। এগৰাকী ৰাজকুঁৱৰীয়ে এই মৰ্মে ঘোষণা কৰিছিল যে—পাণ্ডিত্যত তেওঁতকৈ শ্ৰেষ্ঠ কাৰোবা কহে তেওঁ বিয়া কৰাব। বহু সংখ্যক যোগ্য প্ৰাৰ্থীকো ৰাজকুঁৱৰীয়ে প্ৰত্যাখ্যান কৰিছিল। প্ৰত্যাখ্যাত প্ৰাৰ্থীসকলে অৱমাননাৰ প্ৰতিশোধ ল'বলৈ মুৰ্খ কালিদাসক (যাৰ প্ৰকৃত নাম অজ্ঞাত) এগৰাকী বিদগ্ধ পণ্ডিত ৰূপে ৰাজকুঁৱৰীৰ ওচৰলৈ পঠালে আৰু বিয়া কৰোৱাৰ পাছতহে ৰাজকুঁৱৰীয়ে সকলো কথা বুজি পালে। ৰাজকুঁৱৰীয়ে কালিদাসক তৎক্ষণাৎ খেদি দিলে। তাৰ পাছত কি হৈছিল—সেই কথা কোৱা হৈছে।

ইতিহাস

১. বাৰাণসী। (ক) বৰুণ আৰু অসি। (খ) গংগাৰ দৈতে।
(গ) বিশ্বনাথ নামৰ শিৱ-দ'লৰ বাবে
২. বাবৰ। তেওঁ তেওঁৰ মাতৃৰ মোংগল ৰাজবংশৰপৰা মোগল নামেৰে জনাজাত হৈছিল।
(ক) ১৫২৬ চনত (খ) মোগল ৰাজবংশ (গ) মোংগল চৰ্দাৰ চেংগিজ খান।
৩. আকবৰনামা।
(ক) আবুল ফজল (খ) আইন-ঈ-আকবৰী এইখন গ্ৰন্থ আকবৰৰ সাম্ৰাজ্যৰ তথ্যমূলক বিবৰণৰ গ্ৰন্থ।
৪. চোল, পাণ্ড্য আৰু চেৰা।

বিজ্ঞান

১. ফৰাছি পদাৰ্থবিদ জৰ্জ ক্লদ্। ১৯১০ চনৰ ৩ ডিছেম্বাৰ তাৰিখে পাৰাৰ (পেৰিছ) এক মটৰগাড়ী প্ৰদৰ্শনীত প্ৰথমে প্ৰদৰ্শন কৰিছিল।
২. ৭,৭৫০ মিলিয়ন কিলোওৱাটৰ বিজুলীশক্তিলৈকে হ'ব পাৰে।
৩. ১৫ ৰপৰা ২০ মিলিয়ন বছৰ।
৪. মিডলবুৰ্গৰ হান্‌হ্‌ লিপাৰশ্বে নামৰ চচ্‌মা-বিক্ৰেতা এগৰাকীয়ে উদ্ভাৱন কৰিছিল ১৯০৮ চনৰ ২ অকট'বৰ তাৰিখে। কিন্তু বহুতৰে ধাৰণা, তেওঁৰ সহকাৰী ল'ৰা এটিয়েহে প্ৰকৃতাৰ্থত উদ্ভাৱন কৰিছিল।
৫. নহয়। জহঁৰ ঋতুতকৈ জাৰৰ ঋতুত ই পৃথিৱীৰ ৩ মিলিয়ন মাইল ওচৰ চাপি আহে।
৬. মংগল গ্ৰহ পৃথিৱীৰ আটাইতকৈ ওচৰ চাপিলেহে UFO অধিককৈ পৰিলক্ষিত হয়।
৭. আমেৰিকাত। এই পৃথিৱীৰ প্ৰকাশিত বাতৰি-কাকতসমূহৰ আধামানেই আমেৰিকা আৰু কেনাডাত প্ৰকাশিত হয়।
৮. ৭২ ফুট স্নায়ুতন্ত্ৰী।
৯. জিৰাফ।
১০. স্কাংক্ নামৰ জন্তুৰ।

সাহিত্য

১, ভাগৱদ্গীতা। ভাগৱদ্গীতা হ'ল শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ সংলাপ।
(ক) ওঠৰ (খ) মহাভাৰত (ভীষ্ম-পৰ্ব) (গ) ব্যাস।
২. কালিদাস।
(ক) কালী গোসাঁনীয়ে তেওঁক পাণ্ডিত্য প্ৰদান কৰিছিল।
(খ) মালবিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্বশীয়ম্ আৰু অভিজ্ঞানশকুন্তলম্।
(গ) ৰঘুবংশম্, কুমাৰসম্ভৱম্ আৰু মেঘদূতম্।
৩, মাদুৰাই।
(ক) বন্নকি। (খ) দুহাজাৰ বছৰৰ আগেয়ে তামিল ভাষাত ৰাজকোঁৱৰ ইলাংগ' আদিগাল-ৰচিত শিলাপ্পাদিকৰম্ নামৰ গ্ৰন্থ।



কাব্য-কথা

মণি-মঞ্জৰী-১

প্ৰায় দুহাজাৰ বছৰৰ আগেয়ে, কাবেৰী নৈৰ মোহনাত **পুম্পুহৰ** নামৰ এখন নগৰ আছিল। এই নগৰখন আছিল চোল ৰজাসকলৰ ৰাজধানী আৰু এই সুপ্ৰাচীন নগৰত অসংখ্য দ'ল-:দবালয় আৰু বহু সুৰম্য অট্টালিকা আছিল।

চোল ৰাজন্যবৰ্গ আছিল ধৰ্মপৰায়ণ আৰু সুশাসক। তেওঁলোকৰ শাসনকালত প্ৰজাবৰ্গ আছিল সুখী আৰু সমৃদ্ধ। কেৱল ভাৰতৰ বিভিন্ন অঞ্চলপৰাই নহয়, সুদূৰ গ্ৰিচ, ৰোম আদি দেশৰপৰাও পণ্ডিতবৰ্গই এই ধৰ্মপৰায়ণ ৰজাসকলক অভিনন্দন জ্ঞাপন কৰিবলৈ আহিছিল।





পুম্পুহৰ নগৰলৈ দূৰ-দূৰণিৰ দেশসমূহৰ-পৰা সমুদ্ৰপথেৰে অসংখ্য জাহাজ আহি এইপুম্পুহৰ বন্দৰত নঙৰ পেলাইছিলহি। পুম্পুহৰ নগৰৰ সুসমৃদ্ধ ব্যৱসায়ীসকলৰ সৈতে বিদেশী বণিজাৰসকলে ব্যৱসায়িক আৰু অন্যান্য আদান-প্ৰদান কৰিছিল।



পুম্পুহৰৰ বজাৰৰ বাটে বাটে ঘূৰি ফুৰা কাৰোবাৰ পক্ষে তাত ব্যৱসায়ীসকলে প্ৰদৰ্শিত বিভিন্ন আকৰ্ষক বস্তু-সামগ্ৰীৰ-পৰা দৃষ্টি ঘূৰাই লোৱা সম্ভৱ নাছিল। এইবোৰ বস্তু-সামগ্ৰীৰ মাজত দেশ-বিদেশৰ মণি-মুকুতা-ৰত্নৰাজিও আছিল।

পুম্পুহৰ নগৰৰ এক অপূৰ্ব প্ৰাসাদহেন অট্টালিকাত বাস কৰিছিল মানাইকান নামৰ এগৰাকী জাহাজ-ব্যৱসায়ী। তেওঁৰ কন্নাকি নামৰ এজনী ছোৱালী আছিল। এই অপূৰ্ব গুণৱতী ছোৱালী-জনীক ৰাইজে ৰূপে-গুণে লখিমীহেন বুলি কৈছিল আৰু মানিছিল।

মানাইকানৰ ঘৰৰ ওচৰতে বসবাস কৰিছিল বিখ্যাত ব্যৱসায়ী মাছাত্তুভান। তেওঁৰ পুত্ৰৰ নাম আছিল কোভালান। দুখীয়া লোকসকলৰ প্ৰতি কোভালান আছিল মৰমিয়াল। কোভালান আছিল অতি বুদ্ধিমান আৰু কৰ্তব্যপৰায়ণ যুৱক।

মানাইকান আৰু মাছাত্তুভান আছিল পৰম বন্ধু। পাৰস্পৰিক সম্পৰ্ক দৃঢ়তৰ কৰাৰ মমেৰে দুয়ো কন্নাকি আৰু কোভালানৰ বিয়া পাতিবলৈ পৰস্পৰে পৰস্পৰৰ ওচৰত প্ৰস্তাৱ উত্থাপন কৰিলে। এই সুন্দৰ প্ৰস্তাৱৰ কথাত তেওঁলোকৰ আত্মীয়-বন্ধুবৰ্গয়ো ভাল পালে।

বিয়াৰ দিন-ক্ষণ স্থিৰ কৰা হ'ল। নিৰ্দিষ্ট দিনত বাদ্যভাণ্ড সহকাৰে দুটা দল সমদল কৰি আহিল। এটা সমদল আছিল দৰাঘৰৰ, আৰু আনটো কইনা-ঘৰৰপৰা অহা। বাদ্য আৰু শংখধ্বনিৰ মাজেৰে দৰা-কইনাক অতি সুসজ্জিত ৰভাঘৰলৈ আগবঢ়াই লৈ যোৱা হ'ল।

কন্নাকি আৰু কোভালানে অগ্নিৰ চাৰিওফালে প্ৰদক্ষিণ কৰিলে। সিঁহতে প্ৰদক্ষিণ কৰোঁতে পুৰোহিতে বৈদিক মন্ত্ৰোচ্চাৰণ কৰিলে, আৰু আয়তী-সকলে এই নৱদম্পতিক ফুল, ধূপ-ধূনা আৰু চন্দনৰ প্ৰলেপৰে আদৰিলে।

কোভালানৰ মাতৃয়ে নৱ বিৱাহিত পুত্ৰ আৰু বোৱাৰীৰ স্বচ্ছন্দে আৰু স্বাধীন-ভাৱে থকা মেলাৰ বাবে সম্পূৰ্ণ নতুনকৈ অট্টালিকা এটা সজাই দিছিল। বিবাহৰ পাছত কোভালান আৰু কন্নাকিয়ে তাত সুখে-সন্তোষেৰে বসবাস কৰি থাকিল।
পুম্পুহৰ নগৰীৰ আন এক প্ৰান্তত মাধৱী নামৰ নৃত্যকুশলা এগৰাকী ৰূপৱতী যুৱতী বাস কৰিছিল। এই যুৱতীক মানৱসমাজৰ 'পৰী' বুলি কোৱা হৈছিল। সেই দেশৰ শ্ৰেষ্ঠতম সংগীতজ্ঞসকলৰপৰা মাধৱীয়ে নৃত্য, সংগীতৰ শিক্ষা লৈছিল।
আৰু এদিন মাধৱীয়ে সংগীত তথা নৃত্যশিক্ষা সমাপ্ত হোৱাৰ অন্তত দেশৰ ৰজাৰ আগত নৃত্য প্ৰদৰ্শন কৰাৰ আহ্বান পালে। এই বাবে বিৰাট আয়োজন কৰা হ'ল, বিশিষ্ট লোকসকলক নিমন্ত্ৰণ কৰা হ'ল, আৰু তেওঁলোকৰ আগত ৰূপৱতী মাধৱীয়ে নৃত্য প্ৰদৰ্শন আৰম্ভ কৰিলে। [অহা সংখ্যাত]

সোণ-ৰূপৰ মুখ

সুধাকৰ আছিল ৰজাৰ চাকৰিয়াল। এবাৰ সুধাকৰ গ'ল তাৰ বহুকালৰ চিনাকি মানুহ এগৰাকীৰ ঘৰলৈ। এই মানুহজন বুঢ়া মানুহ, সুধাকৰে মানুহজনক 'ককা' বুলি মাতিছিল। ককাকৰ ডাঙৰ পুতেকৰ নাম গোপাল। গোপালে লিখা-পঢ়া অলপ-অচৰপ কৰিছিল কিন্তু তথাপি সি চাকৰিৰ বাটে নগৈ খেতি-বাতিৰ বাটকে লৈছিল।

সুধাকৰ মানুহজন নম্ৰ মানুহ। ৰজাৰ চাকৰিয়াল হোৱা সত্বেও সুধাকৰৰ মাজত কোনো ধৰণৰ অহংকাৰ নাছিল আৰু তাৰ আনক সহায় কৰাৰ মনোবৃত্তি আছিল।

সুধাকৰৰ 'ককা'কে তাৰ এই গুণাৱলীৰ শলাগ লৈ কৈছিল, "তুমি ইমান ডাঙৰ ৰজাৰ চাকৰিয়াল হৈয়ো কিমান যে সহজ-সৰলভাৱে মিলা-প্ৰীতিৰে থাকা, আৰু আমাৰ গোপালটো যে হৈছে—তাৰ কথা ভাবিলেও বেয়া লাগি যায়। সি কাকো ভাল নকৰে, ভাল নেদেখে, ভাল নুশুনে। কাৰো লগত তাৰ মিলা-প্ৰীতি নাই, লগ সংগ সি ভালেই নাপায়। সদায় ঘৰৰ সকলোৰে সৈতে খকা-খুন্দা, কোনেও নাজানে তাৰ আখিন্দা। কত ক'লোঁ ভালৰ কথা, সি কয় বোলে চব বেঙৰ মাথা। তুমি অলপ বুজাই ক'লেহে যদি তোমাৰ কথা কাণত তোলে।"

সিদিনাই সাঁজ লাগি ভগাৰ পাছত সুধাকৰে গোপালক বুজাই ক'লে—মানুহে মানুহৰ লগত কেনে আচৰণ কৰিব লাগে।

গোপালহঁতৰ সেই গাঁৱত খেতি-বাতি কৰাহঁতৰ ভিতৰত গোপালেই পঢ়া-লিখা জনা। গতিকে—গাঁৱৰ সকলোৱে তাক

মানিব-গণিব—এয়ে গোপালৰ মনৰ ইচ্ছা। কোনবিধৰ খেতি কেতিয়া কৰিলে অধিক শস্য পোৱা যাব—গোপালেইহে সেই কথা ভালকৈ জানিছিল। আনে নাজানে, জানিবলৈ হ'লে গোপাল বিনে গতি নাই।

গাঁৱৰ বাইজে তাৰ আগত মূৰ দোঁৱাব, সহায়-সাৰথি বিচাৰি হাত যুৰি আহিব, আঁঠু ল'বহি, গোপালক মাত্ৰ ইয়াকেহে লাগিছিল। কিন্তু গোপালে কোনোদিনে কালৈকো সহায়ৰ হাতখন বঢ়াই দিয়া নাছিল, আনৰ ভাল হোৱালৈ সি কেতিয়াও মূৰ নঘমাইছিল।

নানান কথাৰ অন্তত সুধাকৰে গোপালক ক'লে, "গোপাল, যি শুনিলোঁ—তোমাৰ দুখৰ হেতু তুমি নিজেই। ধৈৰ্য্য বোলা বস্তু তোমাৰ মাজত কিজানি নায়েই। ভালপোৱা পাবলৈ হ'লে আনক ভাল পাবও লাগিব, সন্মান লাগিলে সন্মান দিবও লাগিব।"

গোপালে তিহতিহাই উঠি ক'লে, "কি হে অগ্‌ৰম্-বগ্‌ৰমবোৰ বলকিছা?"

সুধাকৰে নম্ৰতাৰেই ক'লে, "চোৱাঁ, তোমাৰ মাজত অহংকাৰ, দুৰাশা, স্বাৰ্থ-পৰতা-চতুৰালি, ঈৰ্ষা-হিংসা, লোভ আৰু ক্ৰোধ—এইবোৰ অধিক। এইবোৰ পৰি-ত্যাগ কৰা, সকলোৱে তোমাক ভাল পাব।"

এই কথা সুধাকৰে ক'বলৈ পালেহে, গোপালে দাং খাই উঠি ক'লে, "তুমি

আমাৰ আলহী, নহ'লে ভুকুৱাই তোমাৰ দাঁত সকৰালোহেঁতেন। শুনা, মই আনকি গুৱাল-গালিও সহিব পাৰোঁ, কিন্তু নীতিবচন একেবাৰে অসহ্য!"

তথাপি সুধাকৰে গোপালক শান্তভাৱে আৰু কিছুমান কথা ক'লে, কিন্তু গোঁৱাৰ গোপাল গঞ্জালহেন গোঁজ হৈ থাকিল।

পাছদিনা, গোপালহঁতৰ গাঁৱত মহানন্দস্বামী নামৰ এগৰাকী যোগীপুৰুষ আহিল। মহানন্দস্বামীয়ে দেশে দেশে ভ্ৰমি বেদ-বেদান্তৰ আলোচনা কৰিছিল। গধূলিৰ পাছত মহানন্দস্বামীৰ বেদান্ত তথা ধৰ্মালোচনা আৰম্ভ হ'ল। কিন্তু এইবোৰ আলোচনালৈ সুধাকৰ আগ্ৰহী নহ'ল।

গোপালে সুধাকৰক ক'লে, "আমাৰ গাঁৱত কিবা অনুষ্ঠান পতা হ'লে প্ৰথম দিনা আমি আটায়েই তালৈ যাওঁ, এয়ে চিৰদিনীয়া নিয়ম। তুমিও ইয়াত আছা যেতিয়া, বলা তালৈ। গাঁৱৰ অনুষ্ঠানবোৰত আমাৰ কাৰণে একেবাৰে আগশাৰীত ঠাই থাকে, গতিকে—নগৈ নোৱাৰোঁ।"

নিৰ্দিষ্ট সময়ত আন সকলোটিৰ লগ লাগি সুধাকৰো তালৈ গ'ল।

মহানন্দস্বামীয়ে জয় জয়তে যি ক'লে, কথাখিনি প্ৰায় সেই সুধাকৰে গোপালক কোৱা কথাখিনেহে। শুনি সুধাকৰে ভাবিলেঃ গোপালৰ খং নুঠিলেই ৰক্ষা!

মহানন্দস্বামীৰ ভাষণ শুনি সমজুৱাই

ভালেই পালে। ভাল পালে সুধাকৰেও। কিন্তু সুধাকৰে মহানন্দস্বামীক অলপো প্ৰশংসা নকৰা হ'ল গোপালৰ খং উঠাৰ কথা ভাবি।

কিন্তু ঘৰলৈ উভতি গোপালে সুধাকৰক ক'লে, "মহানন্দস্বামীজীয়ে যে কিমান সুন্দৰকৈ আৰু পানীপানীকৈ বুজাই ক'লে জটিল কথাবোৰ! তেওঁ যিমান দিন আমাৰ গাঁৱত থাকিব, আমি তেওঁৰ কথা শুনিবলৈ যাম। তুমিও থাকিবা তিমান-দিনলৈ, আমাৰ ইয়াত।"

প্ৰায় একেইবোৰ কথা সুধাকৰেও গোপালক কৈছিল। অৱশ্যে মহানন্দ-স্বামীয়ে বিভিন্ন পশু-পক্ষীৰ উপমাৰে কৈছিল কথাবোৰ আৰু সুধাকৰে গোপালক পোন কথা পোনে পোনেই কৈছিল—পাৰ্থক্য ইমানেই। সুধাকৰে একেইবোৰ কথা কোৱা শুনি গোপাল গোৰগোৰাই উঠিছিল। আৰু সেইজন গোপোলেই মহানন্দস্বামীক পঞ্চমুখে শলাগিলে! এই কথাৰ ৰহস্য জানিবলৈ—পাছদিনা সুধাকৰ মহানন্দস্বামীৰ ওচৰলৈ গ'ল।

সুধাকৰৰ বক্তব্য ধৈৰ্য্যেৰে শুনাৰ অন্তত মহানন্দস্বামীয়ে সুধাকৰক ক'লে, "চোৰাঁ বোপা, নিজৰ ভুল কোনোৱে ঠাৱৰ কৰিব নোৱাৰে। তুমি গোপালক যেনেকৈ কৈছিলা, গেলাত টেঙা দি কৈছিলা। ইমান পোনপটীয়াকৈ দোষৰ কথা ক'লে মানুহে ফোঁচ কৰি উঠিবই। মই সেই কাৰণে—প্ৰত্যক্ষভাৱে কাকো একো নকওঁ, পশু-পক্ষী-মানুহ-তুনুহ সকলোকে মিলাই কওঁ, কাৰো গাত সাতকুৰা জুই নজ্বলে। কিন্তু প্ৰত্যক্ষভাৱে কাৰোবাক কিবা ক'লে মনত আঘাত পায়, কিয়নো—সত্য সদায় অপথ্য।"

মহানন্দস্বামীৰ কথা শুনি সুধাকৰে এই জ্ঞান লভিলে যে—সত্য কথা ক'লেই নহ'ব, সোণ-ৰূপৰ মুখেৰে ক'ব লাগিব।

কৃষ্ণাৱতাৰ

১৩

বিকদ্ৰুৰ কথা ধৈৰ্য্যৰে সৈতে শুনাৰ অন্তত কৃষ্ণই ক'লে, "এতিয়া—তেনেহ'লে আমাৰ একেটি মাথোন কৰ্তব্য আছে। মই আৰু ককাইদেউ অযথা বিলম্ব নকৰি ওলাই পৰিম। আমি জৰাসন্ধৰ দৃষ্টিৰ আগেদি দক্ষিণ দিশলৈ গৈ থাকিম। তাৰ ফলত, জৰাসন্ধই মথুৰা আক্ৰমণৰ চিন্তা-চেষ্টা পৰিহাৰ কৰি আমাক ধৰিবলৈ আমাৰ পিছ খেদি যাব। আমি বিন্ধ্য পৰ্বতৰ সৰু সৰু পাহাৰৰ আঁৰত থাকি জৰাসন্ধলৈ প্ৰতি-আক্ৰমণ চলাই থাকিম। আমাৰ এই আঁচনি যদি সফল হয়, তেনেহ'লে মথুৰাবাসী, আৰু লগতে আমাৰ প্ৰায় পা-পৰিয়ালৰ সকলোৰেই জৰাসন্ধৰ আক্ৰমণৰপৰা নিশ্চিন্তৰূপে ৰেহাই পাব।"

কৃষ্ণৰ এই প্ৰস্তাৱত তাত উপস্থিত থকা সকলোটি সানন্দে সন্মত হ'ল।

তাৰ পাছত কৃষ্ণ আৰু বলৰাম কোনো প্ৰকাৰৰ অস্ত্ৰ নোলোৱাকৈয়েই জৰাসন্ধৰ ওচৰলৈ গ'ল। কৃষ্ণই জৰাসন্ধক ক'লে, "হে মগধৰাজ! আপুনি বিভিন্ন দেশৰ সৈন্যসকলক লৈ ইয়ালৈ কিয় আহিল? আমি আপোনালৈ কিমতে সহায় আগবঢ়াব পাৰোঁ ক'বনে? আপুনি যিমতে সহায়-সাৰথি বিচাৰিব, আমি আপোনাক সিমতেই সহায় কৰিম।"

কৃষ্ণৰ কথা শুনি ধনু-তীৰ হাতত লৈ জৰাসন্ধই ক'লে, "তোমালোক দুয়ো



অতি শক্তিমন্ত বুলি মই শুনিছোঁ। সেয়েহে তোমালোকক যুদ্ধত পৰাজিত কৰাৰ মনেৰেই মই ইয়ালৈ আহিছোঁ, কেৱল পৰাজিত কৰিয়েই মই ক্ষান্ত নহ'ম, তোমালোকক মই বধ কৰিম, তেতিয়াহে মোৰ মন-চিত শান্ত হ'ব। তোমালোক অনতিপলমে যুদ্ধলৈ সাজু হৈ আহাঁ, এয়ে মোৰ আন্তৰিক ইচ্ছা।"

জৰাসন্ধৰ কথাত কৃষ্ণ-বলৰামৰ মুখভাৱ কিন্তু অলপো পৰিৱৰ্তিত নহ'ল। কৃষ্ণ-বলৰামে জৰাসন্ধৰ কথাৰ কোন উত্তৰ নিদিয়াকৈ দৃঢ়-পদক্ষেপেৰে দক্ষিণ দিশলৈ গৈ থাকিল। বিভিন্ন ৰাজ্য ভ্ৰমি হুয়ো পৰিশেষত বিন্ধ্যাৰণ্য পালেগৈ। তাত এজোপা বিশাল বটবৃক্ষৰ তলত কৃষ্ণ-বলৰামে পৰশুৰামক দেখা পালে। তাত পৰশুৰামে শিৱৰ আৰাধনা কৰি আছিল। বটবৃক্ষৰ ফালে হোম-ধেনু বান্ধি থোৱা হৈছিল। আৰু আন ফালে আছিল প্ৰজ্জ্বলিত অগ্নি আদিৰে সৈতে বিৰাটাকাৰ ধনু, তীৰ, কুঠাৰ, খড়্গ আদি অস্ত্ৰ। পৰশুৰামৰ মাজত আছিল একাধাৰে ব্ৰাহ্মণৰ ধৰ্ম আৰু ক্ষত্ৰিয়ৰ তেজস্বিতা। কৃষ্ণ-বলৰামে পৰশুৰামৰ চৰণত প্ৰণাম কৰিলে।

কৃষ্ণই পৰশুৰামক নিজৰ আৰু ককায়েক বলৰামৰ নাম পৰশুৰামক কৈ নিবেদিলে, "হে মহাত্মা, আমি মথুৰানিবাসী। যমুনা নদীৰ তীৰত সাধাৰণ পৰিয়ালত আমাৰ জন্ম হৈছে। আমাৰ দেউতাৰ নাম বসুদেৱ। কংসৰ ভয়ত মোৰ দেউতাই মোৰ জন্ম গ্ৰহণ কৰাৰ লগে লগেই মোক গোকুললৈ পঠাই দিছিল। তাত আমি শিশু অৱস্থাৰ পৰা অলপ ডাঙৰ-দীঘল হৈছিলোঁ। ডাঙৰ-দীঘল হোৱাৰ পাছত, অত্যাচাৰী কংসক বধ কৰি, তাৰ পিতৃদেৱক মথুৰাৰ সিংহাসনত অধিষ্ঠিত কৰিলোঁ। কংসক বধ কৰাৰ হেতুকে জৰাসন্ধ আমাৰ ওপৰত ক্ষিপ্ত। আমাক বধ কৰিবলৈ, বিৰাট এক সৈন্য-বাহিনীৰে সৈতে জৰাসন্ধ মথুৰালৈ গ'ল।

আমাৰ কোনো অস্ত্ৰ নাই, সৈন্য নাই। আমি নিৰুপায়ত পৰি জৰাসন্ধৰ চকুৰ আগেদিয়েই ইয়ালৈ পলাই আহিলোঁ। এতিয়া, আমাক আপোনাৰ সুপৰামৰ্শ লাগে, আমি কৰিম, কি কৰা উচিত। আপুনি দয়া কৰি আমাক এই বিপদৰপৰা যেনেকৈয়েই নহওক ৰক্ষা কৰক।"

কৃষ্ণৰ কথা শুনি পৰশুৰামে ক'লে, "তোমালোক যিহেতু এই ফাললৈ আহিছা, জৰাসন্ধয়ো নিশ্চয় নহাকৈ নাথাকে। ইয়াতএটা দুৰ্গ আছে। এই দুৰ্গত থাকি তোমালোকে যদি আক্ৰমণ কৰা, তেনেহ'লে জৰাসন্ধক পৰাজিত কৰিব পাৰিবা। ব'লা, মই তোমালোকক সেই দুৰ্গলৈ লৈ যাওঁ।"

তিনিও দুৰ্গলৈ বুলি ৰাওনা হ'ল। কেইদিনমান ধৰি খোজ কঢ়াৰ পাছত এদিন তেওঁলোক গোমন্তক পৰ্বতৰ পাদদেশ পালেগৈ।

গোমন্তক পৰ্বত আছিল এক বিৰাট পৰ্বতশ্ৰেণী। গোমন্তক পৰ্বতৰ একেটি মাথোন শিখৰ। সেই শিখৰৰ ওপৰত থিয় হ'লে চন্দ্ৰ সূৰ্য্যৰ উদয়-অস্ত দেখা পোৱাৰ উপৰি মহাসমুদ্ৰও দৃষ্টিগোচৰ হ'ব — পৰশুৰামে কৃষ্ণ-বলৰামক সেই কথা ক'লে।

পৰশুৰামে ক'লে, "তোমালোকে যদি জৰাসন্ধক পৰাজিত কৰিবা বুলি ভাবিছা, তেনেহ'লে এই গোমন্তকশিখৰৰপৰাই আক্ৰমণ আৰম্ভ কৰা, তেতিয়াহে জৰাসন্ধ সসৈন্যে পৰাস্ত হ'ব।"

তাৰ পাছত পৰশুৰাম, কৃষ্ণ আৰু বলৰাম গোমন্তক পৰ্বত শিখৰ পালেগৈ।

গোমন্তক-শিখৰত থিয় হৈ, চাৰিও-ফালে চাই লৈ, কৃষ্ণ-বলৰামক পৰশুৰামে ক'লে, "তোমালোকৰ শত্ৰুপক্ষ এই ফাললৈ আহিব ধৰিছে যেন পাইছোঁ। এতিয়াৰেপৰাই সাজু হোৱা!" এই বুলি কৈ, পৰশুৰাম তাৰপৰা গুচি গ'ল।

আৰু চাওঁতে চাওঁতে জৰাসন্ধৰ সৈন্য

বাহিনীয়ে গোমন্তক পৰ্বতৰ চাৰিওফালৰ-পৰা আগুৰি ধৰিলে। জৰাসন্ধৰ সৈন্য-আছিল শিশুপাল, ৰুক্মী, চেকিতাৰু, বহ্লিক, দ্ৰুপদ, বিৰাট, উত্তমমৌৰ্ধ্য, জয়দ্ৰথ প্ৰমুখ বিখ্যাত ৰাজন্যবৰ্গ।

জৰাসন্ধই এই ৰাজন্যবৰ্গক ক'লে, "কৃষ্ণ-বলৰাম নামৰ দুষ্ট দুটা এই পৰ্বতত আছেহি—সেই কথা মই ছিদাংকৈ জানিব পাৰিলোঁ। আমি এতিয়া এই পৰ্বতৰ টিঙলৈ যাম আৰু সিহঁতক আক্ৰমণ কৰিম। কৃষ্ণ,বলৰামক — যেনেকৈয়েই নহওক—ইয়াতে বধ কৰিব লাগিব, এয়ে হোৱা উচিত আমাৰ কঠোৰ অংগীকাৰ।"

জৰাসন্ধৰ এই কথাৰ উত্তৰত শিশুপালে ক'লে, "মই বহুকাল আগেৰেপৰাই এই কথা শুনি আহিছোঁ যে—এই পৰ্বত শিখৰলৈ আনকি দেৱতাসকলেও উঠিব নোৱাৰে। তেনেস্থলত—আমাৰ সন্মানিত ৰাজন্যবৰ্গই খোজ কাঢ়ি এই পৰ্বতৰ শিখৰ পাবগৈ কেনেকৈ ? এয়া সম্ভৱনে ? —সংখ্যাত আমি অজস্ৰ। আমাক কোনেও ইয়াত অতিথি-সৎকাৰ নকৰে। এতেকে—হঠাৎ কিবা এটা কৰি পেলালে সেয়া মূৰ্খতাৰ পৰিচায়ক হ'ব পাৰে। যি কি নহওক—সম্প্ৰতি এই পৰ্বতৰ অধিবাসী হ'ল কৃষ্ণ-বলৰাম। এই পৰ্বতৰ চাৰিও-ফালৰপৰা জুই লগাই দিলে — সিহঁতে খাদ্য বা পানীয় একো নাপাব আৰু তললৈকো নামি আহিবও নোৱাৰিব। সিহঁতৰ সাহায্যাৰ্থে পৰ্বতৰ পাদদেশৰপৰাও কোনো ওপৰলৈ যাব নোৱাৰিব সেই অগ্নি ভেদ কৰি। তাৰ ফলত সিহঁতৰ বিপদ হৈ উঠিব গোমন্তক পৰ্বতত কৈয়ো ওখ।"

শিশুপালৰ প্ৰস্তাৱত জৰাসন্ধই ভালেই পালে। জৰাসন্ধৰ আদেশক্ৰমে সৈন্যহঁতে পৰ্বতৰ পাদদেশস্থ অৰণ্যৰপৰা শুকান খৰি গোটাই আনিলে আৰু দ'মে দ'মে খৰি সেই গোমন্তক পৰ্বতৰ চাৰিওফালে অতি সুশৃংখলভাৱে সজালে। আৰু তাৰ পাছত—

জৰাসন্ধৰ নিৰ্দেশক্ৰমে, পৰ্বতৰ চাৰিওফালে দ'মাই থোৱা সেই খৰিকাঠত জুই লগাই দিয়া হ'ল। নিলগৰপৰা দেখাত এনে লাগিল যেনিবা—গোটেই গোমন্তক পৰ্বতটোৱেই লৌ লৌকৰে জ্বলিছে!

জুইশিখা ক্ৰমাত আকাশলংঘা হৈ উঠিল। কৃষ্ণ-বলৰামে কিন্তু অলপো ভয় নকৰি আনন্দ মনেৰে এই বহ্নুৎসৱ উপভোগ কৰি থাকিল।

বলৰামে কৃষ্ণক ক'লে, "কৃষ্ণ, যিয়েই নোকোৱা লাগিলে, আমাৰ কাৰণে গোমন্তকৰ যথেষ্ট অনিষ্ট হ'ল। পৰ্বতৰ ইমান অনিষ্ট হোৱাহেতুকে আমাৰ বদনাম হ'ব, কিয়নো আমি এই অনিষ্ট চকুৰ আগত হোৱা দেখিও সহি আছোঁ, প্ৰতিকাৰ নকৰাকৈ আছোঁ। মোৰ কিন্তু জৰাসন্ধৰ এই কাৰ্য্য অসহ্য হৈছে। এইবাৰ মই জৰাসন্ধক বধিম। মই এতিয়াৰপৰা পৃথিৱীৰ কোনো ৰজাক আৰু শুদাই নেৰিছোঁ। কোনো ৰজাই যাতে পৃথিৱীৰ কোনো ভূ-খণ্ড শাসন কৰিব নোৱাৰে, তাৰ বাবে মই ব্যৱস্থা গ্ৰহণ কৰিম।" এই বুলি কৈয়েই বলৰামে পৰ্বতৰ ওপৰৰপৰা পোনে পোনেই জৰাসন্ধৰ সৈন্যবাহিনীৰ ওপৰলৈ জঁপিয়াই পৰিল।

আৰু কৃষ্ণও বৈ নাথাকিল। বলৰামৰ পিছে পিছে কৃষ্ণয়ো জঁাপ মাৰি দিলে।

সমুদ্ৰত দুটা পৰ্বত পৰিলে যেনেকৈ বিৰাটাকাৰ আকাশলংঘা ঢৌ উঠিব—কৃষ্ণ-বলৰাম জঁপিয়াই পৰাত সমুদ্ৰৰ বুকুত তেনেকৈ ঢৌ উঠিব। কৃষ্ণ-বলৰাম জঁপিয়াই পৰাৰ পাছত গোমন্তক পৰ্বত যেনিবা অলপ দোঁ খাই পৰিল, জুইৰ তেজ কমি আহিল, জুইৰ শিখাবোৰ ক্ৰমাত চুটি হৈ পৰিল।

আৰু কৃষ্ণ-বলৰামৰ সাহসিকতা দেখি আকাশস্থিত দেৱতাসকলে কৃষ্ণ-বলৰামৰ হাতত বিভিন্ন অস্ত্ৰ আকাশৰপৰা আনি দিলে। এই অস্ত্ৰ হাতত লোৱাৰ পাছত—

কৃষ্ণলৈ দৃষ্টিপাত কৰাহঁতে—কৃষ্ণৰ সলনি যেনিবা বিষ্ণুক দেখা পালে আৰু বলৰামক দেখা পালে আদিশেষৰ ৰূপত।

এইবাৰ বিভিন্ন অস্ত্ৰৰ বলেৰে বলীয়ান হৈ কৃষ্ণ-বলৰাম প্ৰচণ্ড বিক্ৰমৰে জৰাসন্ধৰ সৈন্যবাহিনীৰ ওপৰত জঁপিয়াই পৰিল। বলৰাম আৰু কৃষ্ণৰ আক্ৰমণৰ এনে অভিনৱ পদ্ধতি দেখি বিপদ গমি, জৰাসন্ধই আক্ৰমণ কৰি অনা ৰজাসকল তৎমুহূৰ্তেই ফৰিংছিটিকা দিলে।

ৰাজন্যবৰ্গ আৰু লগতে সৈন্যইঁতো কৃষ্ণ-বলৰামৰ ভয়ত কৰ্ফাল খাই পলাই যোৱা দেখি- জৰাসন্ধই চিৎকাৰ কৰি সিহঁতক ক'লে, "যুদ্ধক্ষেত্ৰৰপৰা পলায়ন কৰা—ভ্ৰূণহত্যাৰ সমান পাপ। তোমালোক একো একোজন দুৰ্দ্ধৰ্ষ বীৰ হিচাপে খ্যাত হৈও দুটা সামান্য বালকৰ ভয়তে পলাইছা কিয় মই একেবাৰে বুজা নাই। তোমালোকৰ লাজ-মান বোলা একো নাইনে? মই এতিয়াও জীয়াই আছোঁ। মই জীয়াই থকালৈকে তোমালোকৰ একো ভয় নাই। তোমালোক নপলাবা। আমাৰ জয়লাভ অনিবাৰ্য্য। আমি এই দুটা সামান্য ল'ৰাক বধিব নোৱাৰিমনে? নিশ্চয় বধিব পাৰিম।"

জৰাসন্ধৰ এই আহ্বান শুনি পলায়মান ৰজাসকল আৰু সৈন্যইঁতো ৰৈ দিলে। তেতিয়া কৃষ্ণই ৰজা আৰু সৈন্যইঁতক উদ্দেশি ক'লে, "আপোনালোকে যাৰ কাৰণে জীৱন বিসৰ্জিবলৈ আহিছে, সেইজনে কিন্তু আপোনালোকক মৰিবলৈ ঠেলি পঠাই নিজে আপানালোকৰ পিছফালে আত্মগোপন কৰি আছে, আৰু নিৰাপদ ঠাইত আছে। আপোনালোকে কিবা-নহয়-কিবা বাহনত উঠি আমাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ওলাইছে; কিন্তু আমি তলত থিয় হৈ আছোঁ। আমাৰ প্ৰশ্ন: আপোনালোকে জৰাসন্ধৰ বাবে প্ৰাণ বিসৰ্জিব কিয়? আমি আপোনালোকৰ


Sankar

একো অনিষ্ট কৰিবলৈ নিবিচাৰোঁ। আপোনালোক আঁতৰি যাওক, আৰু জৰাসন্ধ আমাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ওলাই আহক—তেওঁৰ তাগজ কি চাওঁ।"

এই কথা শুনা মাত্ৰেই এখন ৰথত উঠি জৰাসন্ধ কৃষ্ণৰ সমুখলৈ আহিল আৰু ক'লে, "স্বয়ং মই উপস্থিত থকা সত্বেও তুমি এওঁলোকৰ সৈতে কিয় বলকি আছা ? যুদ্ধৰো নীতি আছে, নিয়ম আছে। তোমাৰ যুদ্ধ মোৰ বিৰুদ্ধে, মোৰ যুদ্ধ তোমাৰ বিৰুদ্ধে। তুমি যে কিমান ডাঙৰ বীৰ, তাৰ প্ৰমাণ মোকো লাগে। যদি তাগজ আছে—মোৰ বিৰুদ্ধে ৰণ দিয়া। কথা দিছোঁ, তোমাক মই বৰ বেছি পৰলৈ কষ্ট নিদিওঁ, ক্ষন্তেকতে দক্ষিণ দুৱাৰেদি যমৰ আলহী কৰি পঠাম তোমাক। যোৱা—সাজু হৈ আহাঁগৈ।"

"কথা যদি তেনেকুৱাই — যুদ্ধ মই আৰম্ভ কৰি দিলোঁ এই এতিয়াৰেপৰাই।" এই বুলি কৈয়েই কৃষ্ণই জৰাসন্ধলৈ আঠোটা আৰু তেওঁৰ ৰথৰ সাৰথিলৈ পাঁচটা বাণ এৰিলে।

আৰু তেতিয়া আৰম্ভ হ'ল কৃষ্ণ-বলৰাম আৰু জৰাসন্ধৰ মাজত নাই তই নাই মই যুদ্ধ। কিছু সময়ৰ যুদ্ধৰ পাছত তিনিও মূৰ্চ্ছা গ'ল। অলপ পাছত কৃষ্ণ-বলৰাম পুনৰ উঠি থিয় দিলে। কিন্তু মহাবীৰ জৰাসন্ধ মূৰ্ছিত হৈ মাটিত পৰি থাকিল। জৰাসন্ধৰ হৈ যুদ্ধ কৰিবলৈ অহা সৈন্যইত কৃষ্ণ-বলৰামক পুনৰ থিয় হোৱা দেখা মাত্ৰেই পলাল। জৰাসন্ধ পৰ্যুদস্ত-পৰাস্ত হ'ল। পাঞ্চজন্য শংখ অতি বেয়াকৈ নিনাদি কৃষ্ণই তেওঁৰ বিজয় ঘোষণা কৰিলে।

তাৰ পাছত কৃষ্ণ-বলৰাম গৌতমগিৰিলৈ গ'ল বিশ্ৰাম ল'বৰ মনেৰে। কিন্তু তাত এনেকুৱা এটা ঘটনাৰ সৃষ্টি হ'ল যে—কৃষ্ণ-বলৰামৰ বিশ্ৰাম লোৱা নহ'ল।

তৃতীয় প্ৰশ্ন

বিক্ৰমপুৰীৰ মহাৰজা বিনোদবৰ্মাদেৱৰ সাহিত্য আৰু শাস্ত্ৰপ্ৰীতি আছিল প্ৰবল। তেওঁ পণ্ডিত লোকসকলৰ লগ-সংগ ভাল পাইছিল। ৰজাই সাহিত্য-শাস্ত্ৰ-কলা আদি লৈ মগ্ন থকাত, দেশৰ শাসন-ব্যৱস্থাৰ চোৱা-চিতা কৰিছিল দেশৰ সেনাপতি নাগবৰ্মাই। নাগবৰ্মা আছিল ৰজাৰ ভাগিন। এওঁ আছিল প্ৰজা-উৎপীড়ক আৰু অত্যন্ত লোভী।

দেশৰ শাসন-ব্যৱস্থালৈ ৰজাৰ মন-কাণ একেবাৰে নথকাত নাগবৰ্মাৰ মনত ৰজা হোৱাৰ বাসনা জাগি উঠিল আৰু এই বিষয়ে দুষ্ট সেনাপতি নাগবৰ্মাই নানাবিধৰ আঁচনি পাঙি থাকিল।

বিক্ৰমপুৰীৰ মহামন্ত্ৰী মাণিক্যবৰ্মাই এদিন নাগবৰ্মাই ক'ত কি কৰি আছে তাৰ বিবৰণ দিয়াৰ অন্তত ৰজাক ক'লে, "মহাৰাজ, আপুনি কালক্ষেপ নকৰি যদি সমুচিত ব্যৱস্থা নলয়, তেনেহ'লে—আমাৰ সেনাপতি নাগবৰ্মাৰ চক্ৰান্তই কিন্তু বহুদূৰলৈকে শিপা মেলিব।"

ৰজাই মুখেৰে একো মন্তব্য নকৰিলে। কিন্তু তেওঁ চিন্তিত হ'ল, আৰু এই বিষয়ে নাগবৰ্মাক সুধি চোৱাৰ পাছত যি কৰণীয় কৰিব বুলি ভাবিলে।

পাছদিনা, ৰজাই নাগবৰ্মাক এইবোৰ চক্ৰান্তৰ কথা সোধাত নাগবৰ্মাই হাত যোৰ কৰি ৰজাক ক'লে, "মই যে কিয় আপোনাৰ বিৰুদ্ধে চক্ৰান্ত কৰিম—মই নিজেই দেখোন কথাটো বুজা নাই। মই আপোনাৰ হৈহে দেশ-শাসনৰ জৰীডাল কটকটীয়াকৈ ধৰি আছোঁ, প্ৰজাৰ নানান

সোমসুন্দৰ ৰাজখোৱা

বিলৈ-বিপদত সহায় কৰিবলৈ জঁপিয়াই পৰিছোঁ। দেশত আপোনাৰ সুনাম যাতে বাঢ়ে, আৰু অটুট-অমৰ হৈ থাকে, তাৰ বাবে সদা-সৰ্বক্ষণ মই দৃষ্টি দিছোঁ।"

"কিন্তু—তোমাৰ বক্তব্যৰ সৈতে আমাৰ মহামন্ত্ৰীৰ বক্তব্য—দেখোন একেবাৰে নিমিলে।" ৰজাই সেনাপতি নাগবৰ্মাক কওঁ-নকওঁকৈয়ো ক'লে।

"মোৰ কাৰ্য্য-কলাপে মহামন্ত্ৰীক যে ঈৰ্ষান্বিত কৰি তুলিব, তাৰ কোনো মানে নাই। কিন্তু—এনেবোৰ অকাৰণ বদনাম অনাৱশ্যকভাৱে ৰটি ফুৰাৰ সাৰ্থকতা কি—মই ধৰিব পৰা নাই। মোৰ কাৰ্য্য-কলাপৰ বিষয়ে আপুনি প্ৰজাবৰ্গকে সুধি চাব পাৰে। প্ৰজাবৰ্গই যদি মোৰ বিৰুদ্ধে মাত মাতে, মই নিজক অপৰাধী বুলি মানি ল'ম। কিন্তু কেৱল মহামন্ত্ৰীয়ে ক'লে বুলিয়েই মানি নলওঁ।" নাগবৰ্মাই মহাৰাজ বিনোদবৰ্মাদেৱক ক'লে।

ৰজাই অলপ পৰলৈ ভবা-গুণা কৰাৰ অন্তত ক'লে, "ঠিক আছে, প্ৰজাবৰ্গৰ অভিযোগৰ, সুখ-দুঃখৰ কথা মই কালিৰে-পৰাই শুনিম বুলি তুমি ঘোষণা কৰি দিয়া।"

প্ৰজাবৰ্গৰ অভিযোগৰ কথা, সুখ-দুখৰ কথা শুনাৰ বাবে ৰজাই এক বিশেষ আয়োজন কৰিলে। নাগবৰ্মায়ো দেশৰ প্ৰতি চুকে-কোণে ৰজাৰ এই ইচ্ছাৰ কথা সুষ্ঠুভাৱে ঘোষণা কৰিলে, প্ৰচাৰ কৰিলে।



আৰু নাগবৰ্মাৰ অনুচৰবিলাকে লগে লগে এই কথাও প্ৰজাৰ মাজত প্ৰচাৰ কৰি থাকিল ঃ যদিহে কোনোবাই নাগবৰ্মাৰ নামত ৰজাক কিবা কৈছা, তাক জীয়াই জীয়াই কবৰ দিয়া হ'ব।

নাগবৰ্মাৰ 'একমুখে দুই কথা' প্ৰচাৰৰ কৌশলৰ ফলত প্ৰায় কোনো প্ৰজায়েই ৰজাৰ এই বিশেষ সভালৈ নহা হ'ল। বিশেষকৈ—নাগবৰ্মাৰ বিৰুদ্ধে প্ৰকৃততেই অভিযোগ থকাইঁতৰ মাজত কোনো নাছিল। এদিন আহি ৰজাক ক'ব, পাছত ৰজাইনো কেনেকৈ ৰক্ষা কৰিব ? আহিল নাগবৰ্মাৰ বিশ্বস্ত অনুচৰইঁত। সিহঁতে নাগবৰ্মাৰ ভুৰি ভুৰি প্ৰশংসা কৰি ক'লে যে নাগবৰ্মা কেতিয়াবা নোহোৱা হ'লে ঈশ্বৰেও সিহঁতক হেনো ৰক্ষা কৰিব নোৱাৰিব। বুদ্ধিমন্ত মহামন্ত্ৰী মাণিক্য-বৰ্মাই নাগবৰ্মাৰ ধূৰ্ত কৌশল বুজি পায়ো বাধ্যত পৰি মনে মনে থাকিবলগা হ'ল।

তেতিয়া ৰজাই সভাত উপস্থিত ৰাইজক ক'লে, "তেনেহ'লে—মোৰ শাসন-ব্যবস্থা নিখুঁত বুলি ধৰি ল'ব পাৰোঁনে ?"

ৰজাৰ প্ৰশ্ন শুনি এজন মানুহ থিয় হ'ল আৰু ৰজাৰপৰা অনুমতি লোৱাৰ পাছত ক'লে, "মহাৰাজ, আপোনাৰ শাসন-ব্যৱস্থাৰ কাম কৰা কৰ্মীৰ মাজত ময়ো এজন। মই ধনী নহওঁ; কিন্তু মোৰ নিচিন দুখীয়াইঁতৰো প্ৰশ্ন কিছু থাকে।



মই আপোনাক তিনিটা প্ৰশ্ন কৰিম। প্ৰথম প্ৰশ্ন হ'ল—আমাৰ দেশত এই কথা প্ৰচাৰ কৰা হৈছে যে, দেশৰ প্ৰজাই দিনে তিনি সাজকৈ খায়। এই কথা যদি সঁচা, তেনেহ'লে—আমাৰ দেশৰ আধাসংখ্যক মানুহে ভিক্ষা কৰে কিয়? নে—দেশৰ ভিখাৰীইঁত দেশৰ প্ৰজা নহয়?"

এই প্ৰশ্ন শুনি ৰজাই নাগবৰ্মালৈ ক্ৰুদ্ধ দৃষ্টিৰে চালে। তাৰ পাছত সুধিলে, "তোমাৰ দ্বিতীয় প্ৰশ্ন কি—?"

"দেশৰ প্ৰজাৰ বাক্-স্বাধীনতা আছে —এই কথা সৰৱে প্ৰচাৰ কৰা হয়। কিন্তু সেই কথা সঁচানে? সঁচা হোৱাহেঁতেন আপোনাৰ এই সমাৰেশত বহুতেই গোট খালেহেঁতেন, আৰু তেওঁলোকৰ সুখ-দুখৰ অভাৱ-অভিযোগ বক্তব্য ক'লেহেঁতেন। দেশৰ কিমান প্ৰজা কাৰাগাৰত আবদ্ধ আছে আপুনি জানেন মহাৰাজ।" গোবিন্দ নামৰ এই যুৱকে ক'লে।

এই কথা শুনি গম্ভীৰ কণ্ঠেৰে ৰজাই ক'লে, "এইবাৰ তোমাৰ তৃতীয় প্ৰশ্ন কৰা।"

গোবিন্দই হাত যোৰ কৰি ৰজাক ক'লে, "মহাৰাজ, তৃতীয় প্ৰশ্নটো মই নকৰোঁ, মোৰ দেউতাই যাতে কৰিব পাৰে, তাৰ বাবে অনুমতি প্ৰাৰ্থনা কৰিছোঁ।"

ৰজাই গোবিন্দক তেওঁৰ কাষলৈ আহিবলৈ ক'লে। গোবিন্দ ৰজাৰ কাষ চাপিল। তেতিয়া ৰজাই তাক ক'লে. "গোবিন্দ, দেশক তোমাৰ নিচিনা সাহসী যুৱককহে লাগে। তোমাৰ প্ৰশ্ন দুটাৰ মৰ্মাৰ্থ মই অনুধাৱন কৰিব পাৰিছোঁ। সেই প্ৰশ্ন দুটাৰ উত্তৰ দিয়াৰ দায়িত্ব মোৰ। তৃতীয় প্ৰশ্নটো তোমাৰ দেউতাৰাই কৰে যদি—মই যে সেই তৃতীয় প্ৰশ্নটোৰ কি উত্তৰ দিম ভাবি উলিয়াব পৰা নাই। তৃতায় প্ৰশ্ন তেওঁ আৰু নকৰিলেও হ'ব।"

এই কথা কোৱাৰ পাছত ৰজাই নাগবৰ্মা আৰু লগতে তাৰ বহুসংখক অনুচৰকো তৎক্ষণাৎ বন্দী কৰাৰ আদেশ

দিয়াত মহামন্ত্ৰী অত্যন্ত হতবাক হ'ল।

ৰজাৰ আদেশ মতে নাগবৰ্মাক আৰু তাৰ অনুচৰইঁতকো বন্দী কৰি কাৰাগাৰত ভৰাই থোৱা হ'ল। তাৰ পাছৰপৰা ৰজাই সাহিত্য আৰু শাস্ত্ৰালোচনাত অধিক সময় অতিবাহিত নকৰি দেশৰ শাসন-ব্যৱস্থাৰ উন্নতিলৈ মন মেলিলে।

এই ঘটনাৰ কিছুদিনৰ পাছত মহামন্ত্ৰী মাণিক্যবৰ্মাই ৰজাক সুধিলে "মহাৰাজ, নাগবৰ্মা আৰু তাৰ অনুচৰইঁতৰ বিৰুদ্ধে মাত্ৰ এজন যুৱকে অভিযোগ উত্থাপন কৰাত আপুনি কেনেকৈনো ইমান কঠোৰ ব্যৱস্থা ল'লে? আৰু—এই গোবিন্দৰ দেউতাৰাই কিবা প্ৰশ্ন যে সুধিব আপোনাক —সেই কথাওবা কেনেকৈ ভাবিলে? গোবিন্দৰ দেউতাৰাই আপোনাক প্ৰশ্ন নকৰিলেও হ'ব বুলিও বা কিয় কৈছিল আপুনি? আপোনাৰ এইবোৰ কথা-কাণ্ড মোৰ বৰ সাঁথৰ সাঁথৰ যেন লাগিছে।"

মহামন্ত্ৰীৰ প্ৰশ্নৰ উত্তৰত ৰজাই হাঁহি মাৰি ক'লে, "দেশৰ ভয়ংকৰ অৰাজক অৱস্থাৰ কথা আওপাকে প্ৰশ্নস্বৰূপে কোৱাত নাগবৰ্মাৰ অনুচৰইঁতে যে তাক হত্যা কৰিব, সেই কথাটি গোবিন্দই বুজি পাইছিল। গোবিন্দৰ দেউতাৰাই মোক প্ৰশ্ন কৰিলেহিহেঁতেন, 'মোৰ পুত্ৰ গোবিন্দ ক'ত আছে'? নাগবৰ্মাই গোবিন্দক মাৰি পেলোৱাহেঁতেন, মই কি উত্তৰ দিলো-হেঁতেন গোবিন্দৰ দেউতাৰাক? গতিকে—তেওঁ মোক সেই তৃতীয় প্ৰশ্ন নকৰাটোকে আছিল মোৰ কাম্য, আৰু তাৰ বাবেই তৎক্ষণাৎ নাগবৰ্মাক আৰু তাৰ অনুচৰ-বিলাককো বন্দী কৰাৰ আদেশ দিলোঁ।"

গোবিন্দই তাৰ নোকোৱা তৃতীয় প্ৰশ্নেৰে দেশৰ ৰজাক সাৱধান কৰি দেশৰ সুশাসনলৈ মন-কাণ নকৰা ৰজাৰ মহান উপকাৰ আৰু লগতে দেশৰ হাজাৰ-বিজাৰ প্ৰজাৰ অপাৰ মংগল সাধিছিল।

দাপোণত নিজৰ ছাঁ

সুদাম গ'ল তাৰ মামাকৰ ঘৰলৈ। মামাকে সুদামক সুধিলে, "হেই সুদাম, তোৰ ঘৰখন বোৱাৰীয়ে কেনে চলাইছে অ'? তাইৰ ৰান্ধন-বাঢ়ন কেনে? তোৰ মাৰাক কাম-বনত সহায়-তহায় কৰেনে?"

"মাক কি সহায় কৰিব? মাই একো কৰিবলগীয়া নহয়েই, তাই নিজেই সকলো কাম-বন কৰে।" সুদামে ক'লে।

"অঃ বৰ ভাল কথা। তোৰ মাৰাই বুঢ়ী বয়সত তেও আৰাম-বিৰাম পোৱা হৈছে। সৰুতে দেউতাৰা ঢুকাল, তেতিয়াৰ পৰা কিমান কষ্ট কৰি যে জীয়াই আছিল!" মামাকে মন্তব্য কৰিলে।

সুদামে এই কথাৰ উত্তৰ দিবলৈ লৈয়ো উত্তৰ দিব নোৱাৰিলে।

তাৰ মনৰ কথা উমানতে ধৰি লৈ মামাকে সুদামক ক'লে, "তই কিবা ক'বলৈ লৈয়ো বৈ দিলি, নক'লি। কথা কি ক'চোন? মোক লুকুৱালগীয়া একো নাই।"

"মোৰ বিয়া হোৱাৰ পাছৰেপৰাই মাই সদায় কিবা যেন ভাবি থকা লক্ষ্য কৰিছোঁ। মানে—হেৰি আৰু—" আকৌ বৈ দিলে সুদামে।

"তই কথাটো তোৰ মাৰাক নোসোধ কিয়?" মামাকে ক'লে।

"মই এদিন সুধিবলৈ ধৰোঁতেই মাই নিজেই মোক ক'লে। কথা অলপ আচৰিতেই—, তোমালোকৰ বোৱাৰী যেতিয়া পানী আনিবলৈ পুখুৰীলৈ গ'ল, তেতিয়াহে মোক মাই ক'লে।"

অলপ সময়লৈ তাপ মাৰি থকাৰ পাছত মামাকে সুদামক ক'লে, "তোৰ

তনুশ্ৰী কাকতী

মাৰাই কোৱা কথাখিনি বাৰু তোৰ মনত আছেনে? যদি আছে—এটা শব্দও বাদ নপৰাকৈ মোক কচোন।"

"মাই কোৱা এসপ্তাহো হোৱা নাই, গতিকে—প্ৰতিটো শব্দয়েই মনত আছে।" সুদামে তাৰ মোমায়েকক ক'লে, "মাই মোক ক'লে, 'অ' সুদাম—বোৱাৰী পাগ ঘৰত আছেনে পুখুৰীলৈ গ'ল'?"

"তোমাৰ চকুৰ আগেদিয়েই গ'ল দেখোন কলহটো লৈ। তুমি দেখা নাই?" মই প্ৰশ্ন কৰিলোঁ।

মাই ক'লে, 'তেন্তে বহ মোৰ ওচৰত। শুন—বোৱাৰী যে দেখাত ধুনীয়াজনী—সেই কথা মোক শুনাই কেতিয়াও নক'ৰি'।

'কিয়, ক'লে কি হয়?'

'তাইৰ অহংকাৰ বাঢ়ি যাব, তোক তুচ্ছ বুলি—সামাইন বুলি ভাবিব।'

মই মনে মনে থাকিলোঁ। অলপ সময় মা-ও মনে মনে আছিল। তাৰ পাছত মাই পুনৰ ক'লে, 'সকলো কথা তাইৰ কাণত নেপেলাবি। এই অভ্যাস মুঠেই ভাল নহয়। সকলো তাইক কোৱাৰ দৰ্কাৰ নাই।'

'কিয়? কিনো জগৰ লাগিব, মা?'

'আক-তাক কৈ ফুৰিব তাই। ঘৰৰ কথাই পৰৰ কাণ চুবগৈ। গোপন কথা সদৰি হৈ পৰিব, নানান ঢৌ উঠিব।'

মই মাৰ কথাত সন্মতি জনাই বাধ্যত পৰি নিমাতে থাকিলোঁ।

'তাই বিমানেই মিঠাকৈ নকওক—তই কিন্তু তাইৰ কথাৰে ভোল নাযাবি। তোক শেষ কথা ক'লোঁ আৰু।'

'যদি তাইৰ কথা শুনো—কি হ'ব, মা?'

'কি আৰু হ'ব—।' এখন্তেক ৰৈ মাই পুনৰ ক'লে, 'তাই কেতিয়াবা হয়তো মোক এই ঘৰৰপৰা উলিয়াই দিবলৈ ক'ব।'

মই কোনো কথা নকৈ মাৰ ওচৰত বহি থাকিলোঁ। মাই পুনৰ ক'লে, 'চা বোপা—তলা-চাবি কেতিয়াও—ঘৰৰ বা

বাকচৰ, বোৱাৰীৰ হাতত গটাই নিদিবি।'

মই সুধিলোঁ, কিয়, মা ? তলা-চাবি তাইৰ হাতত দিলে—কিহৰ ভয় ?'

'কিহৰ আৰু'—তেতিয়া চাবি—দিনে দিনে এটা-দুটাকে টকা নোহোৱা হ'ব। সেইবোৰ টকা তাই পঠাব তাইৰ মাৰালৈ। তইনো আৰু কেতিয়া বুজনটো হ'বি কচোন ?'

'মা, তুমিনো এইবোৰ কথা জানিলা কেনেকৈ কোৱাচোন ?'

মামাকে সুদামক কৈ উঠিল, "একেবাৰে মোক্ষম প্ৰশ্ন কৰিছিলি তো! তোৰ মাৰাই কি ক'লে ?"

সুদামে ক'লে, "মাৰ উঠিল খং। খঙতে গোৰগোই উঠি মাই ক'লে, 'মাক এনেকুৱা প্ৰশ্ন কৰিব পায়েনে ?' এই বুলি কৈয়েই মাই পাগঘৰলৈ গুচি গ'ল।

মামাকে হো হোৱাই হাঁহি উঠি হঠাৎ একেবাৰে বিষম গম্ভীৰ হৈ ৰৈ দিলে।

"মাই কিয় সেই কথাটো কৈ দুপদুপাই পাকঘৰলৈ গ'লগৈ ?" সুদামে সুধিলে।

"জানো মই—। পিছে সেইবোৰ কথা জানি তোৰ একো লাভ নাই।" মামাকে ক'লে।

শান্ত কণ্ঠেৰে সুদামে ক'লে, "মামা, জানিলে লাভ আছে। তেতিয়া মই মাৰ মনৰুপৰা 'বোৱাৰী ভীতি' গুচাব পাৰিমেই।'

"তেনেহ'লে—তুমি নেৰিছাই যেতিয়া, বজৰলেপৰ দৰে ধৰিছাই যেতিয়া—শুনা তেন্তে। তোমাৰ মাৰা হ'ল মোৰেই বাইদেউ। বিয়াৰ পাছত বাইদেৱে যিবোৰ কথা-কাণ্ড যেনেকৈ. কৰিছিল, বোৱাৰীয়েও তেনেকুৱা কৰিব বুলি আশংকা কৰিছিল। বোৱাৰীৰ দাপোণত বাইদেৱে নিজৰ ছাঁটোকে দেখা পাই ভয়তে দৌলা-কেঁকোৰা দিছে।" মামাকে হাঁহি হাঁহি ভাগিনক বোৱাৰী-ভীতিৰ গোপন কথাটো কৈ দিলে।



খৰৰ দৰব খুখুন্দত

কোনোবা এখন গাঁৱত কথাকথিকৈ দুজনী মহিলা বাস কৰিছিল। ইজনী ধনী, সিজনী দুখী, ইজনী ধনী কিন্তু কৰাইচনী। কেৱল কৰাইচেই নহয়, মনটোও কাঠ-কঠিন। জুখি-মাখি কথা কয়, কণামাকৰিটিও চমজি লয়।

সিজনী আছিল দুখুনী কিন্তু বহল মনৰ ঘৰিণী। এজনীয়ে আনলৈ সদায় সদয় ব্যৱহাৰ কৰিছিল, সহায় কৰিছিল, যিমান যেতিয়া পাৰিছিল।

এদিন আবেলি পৰতে এজন ভিখাৰী এই মহিলা দুগৰাকীৰ ঘৰৰ কাষেদি গৈ থাকোঁতে ধনী মহিলাৰ ঘৰৰ দুৱাৰত খট-খটালেগৈ। ধনী মহিলাই দুৱাৰ খুলিয়েই ভিখাৰীজনক দেখা পাই তৎক্ষণাৎ দুৱাৰ বন্ধ কৰি ক'লে, "এতিয়া একো নহ'ব।" কথাষাৰ মহিলাই কঠ্‌ৰা মাতেৰে ক'লে।

তাৰ পাছত ভিখাৰীয়ে সেই দুখিনী মহিলাৰ ঘৰলৈ গ'ল। তেওঁ তাক বহিবলৈ পীৰা দিলে, খাবলৈ ভাত দিলে, আৰু ক'লে, "খাই-বৈ—মন গ'লে তুমি আমাৰ বাৰান্দাত আজি ৰাতি আৰাম কৰি শুই থাকিব পাৰিবা।"

ভিখাৰীজনে ভাত-আঞ্জাখিনি খোৱাৰ অন্তত ক'লে, "আই, মই ঘৰলৈ উভতি যাম, যাবই লাগিব। আই, তোমাৰ কোনো-দিনে অভাৱ-অনাটন নহ'ব। সাধাৰণভাৱে, কিন্তু দুখে-সুখে চলি থাকিব পাৰিবা।"

"মোক বৰ বেছি একো নালাগে, বোপা। কথমপি চলি থাকিব পাৰোঁ যদি, সেয়ে আমাৰ কাৰণে ঢেৰ।" দুখুনী মহিলা-গৰাকীয়ে তাক ক'লে।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

"দিয়াহঁতে পায়, অভাৱ নহয়, আই, এটা কথা মনত ৰাখিবা আই, পুৰাতে যাৰ আৰম্ভণি, গধূলিতে সামৰণি।" এই বুলি কৈ, ভিখাৰী মানুহজন গুচি গ'ল।

ভিখাৰীয়ে কিয়যে তেনেবোৰ কথা ক'লে, মহিলাই নুবুজিলে, বৰ বেছি গুৰুত্বও নিদিলে।

এই দুখুনী মহিলাগৰাকীয়ে তাঁত বোৱা-কটা কৰি পেট প্ৰবৰ্তাইছিল। তেওঁ বোৱনী, যেতিয়াই আজৰি পায় তাঁত বোৱে। কালি কিমানখিনি কাপোৰ বোৱা হ'ল, হাতেৰে জুখিবলৈ ধৰিলে। কিন্তু কেনে আচৰিত কথা, যিমান জোখে সিমানেই বাঢ়ি যায়। বাঢ়েহে বাঢ়ে! জুখি জুখি তেওঁৰ হাতত বিষ উঠিল; কিন্তু কাপোৰ শেষ নহ'ল। তেতিয়া হঠাৎ সেই ভিখাৰীজনৰ কথা তেওঁৰ মনত পৰিল,ঃ পুৰাতে যাৰ আৰম্ভণি, গধূলিতে সামৰণি। এহাত দুহাত-তিনি-হাতকৈ জুখি জুখি হাজাৰ হাজাৰ হাত কাপোৰেৰে তেওঁৰ ঘৰ ঠাহ খাই পৰিল।

গাঁৱত কোনো কথা সৰহৰপৰ আনে নজনাকৈ নাথাকে। এই কথাটোও বায়ু-বেগে বিয়পি পৰিল। গাঁৱৰ ৰাইজে আঠ হতীয়া কপোৰ একোখনকৈ কিনি লৈ গ'ল।

সাত দিন ধৰি একেৰাহে বেচিও বোৱা কাপোৰ শেষেই নহ'ল। এই কাপোৰ মহিলাৰ জীৱনকালতো শেষ নহ'ব বুলি বোধ হ'ল তেওঁৰ।

আৰু এই কথা শুনি, ধনী মহিলাৰ পাত উঠিল কঁপনি। তাই ভাবিলে ঃ এচ্! মগনিয়াৰটো মোৰ ঘৰতে পথমে আহিল, মই কিয় তাক আলহ-উদহকৈ নুধুৰালোঁ! তেতিয়া কপাল মোৰহে ফুলিলহেঁতেন। সেনীয়েদি সিঁচিব পাৰিলোহেঁতেন! হায় হায়! কি ভুল কৰিলোঁ!

তিনি দিনৰ পাছত ধনী মহিলাৰ ঘৰৰ বাৰান্দাত খোজৰ শব্দ উঠিল। খোজৰ শব্দ শুনি মহিলাৰ বুকুত ধান

বনাদি বানিবলৈ ধৰিলে। পাছমুহূৰ্ত্ততে দুৱাৰত খটখটোৱাৰ শব্দ উঠিল। আৰু লগে লগে দুৱাৰ খুলি সেই ভিখাৰী মানুহজনক তাত থিয় হৈ থকা দেখা পাই তেওঁ ই'ক উঠিল, "আহিলানে বোপাই? আস্! সিদিনা তোমাক তেনেকৈ বিদায় দি পাছত মোৰ যে কি কষ্ট হ'ল! সিদিনা পুৱাৰেপৰাই নানান কামত পৰি মোৰ মাথা খাৰাপ হৈয়েই আছিল। সদায় নানান জঞ্জালৰ মাজত পৰিলে মাথা ঠিক ৰাখিব পাৰিনে? যা হওক—গ'ল কথা গুচিল। আজি আহিলাই যেতিয়া—খাই বৈ আমাৰ ঘৰতে শুই থাকিবা। পুৱা জা-জলপান খাইহে যাবা।"

খোৱ-লোৱাৰ অন্তত এই ভিখাৰীজনে ক'লে, "কিন্তু—মই তো থাকিব নোৱাৰিম। ঘৰলৈ উভতি যাবই লাগিব। যা হওক—এটা কথা মনত ৰাখিবা আই—পুৱাতে যাৰ আৰম্ভণি, গধূলিতে সামৰণি।" এই কথা কোৱাৰ অন্তত ভিখাৰী মানুহজন তাৰপৰা গুচি গ'ল।

সকলো ঠিক ঠিক মতে হৈ গ'ল। ধনী মহিলাই ভাবিলে: এইবাৰ মোক আৰু পায় কোনে। —কিন্তু কোনটো কামত ধৰিব? তেওঁ ভাবিলে: ৰাতি পুৱা উঠিয়েই মাখন উলিয়াম। পাছ মুহূৰ্ত্ততে ভাবিলে: নহয়, মাখন উলিয়ালে মাখনেই কিজানি উলিয়াই থাকিম। আৰু মাখনেৰে ঘৰ ভৰি পৰিব। ইমান মাখন গাঁৱৰ সেই আধা ভিকহুসোপাই কেনেকৈনো কিনিব? গতিকে—চন্দন-কাঠৰ সৰু বাকচটোত থকা সোণৰ মোহৰ চাৰিটা গণ্তি কৰি থাকিম, গণ্তি কৰি থাকিম, গণ্তি কৰিয়েই থাকিম। আৰু দিনৰ শেষত মোৰ হাজাৰ—হাজাৰ নহয়, লাখ লাখ সোণৰ মোহ হ'ব, মই হ'ম দেশৰ সৰাতোকৈ ধনী।

এনেবোৰ কথা ভাবি ভাবি তেওঁৰ মাথা গৰম হৈ উঠিল। তেওঁৰ দুচকু

জাপেই নোখোৱা হ'ল। —আস্! ৰাতিও যে ইম্মান দীঘল হয়! কেতিয়া যে পুৱাব! তেওঁ মুহূৰ্তে মুহূৰ্তে পূব দিশলৈ চাই চাই চকু বিষাইছিল। তাৰ পাছত হঠাৎ কুকুৰাৰ মাত শুনি তেৱোঁ যেনিবা কুকুৰাৰ লগে লগে কক্কাই উঠিল।

তিনি জাঁপ মাৰি তেওঁ শোৱা কোঠাৰ দুৱাৰ খুলি, সিকোঠালৈ গৈ, সেই চন্দন-কাঠৰ সৰু বাকচটোৰ পিনে আগুৱাই যোৱাৰ লগে লগে এটা মস্ত ডাঙৰ বৰলে তেওঁক খেদি অহাত তেওঁ বৰলটোক মাৰি পেলাবলৈ চেষ্টা কৰি থাকিল।

তাৰ পাছৰপৰা, পুৱাৰপৰা গধূলিলৈকে সেই ভয়ংকৰ বৰলটোৱে তেওঁক খেদি আহিছিল আৰু তেওঁ সেইটোক মাৰি পেলাবলৈ চেষ্টা কৰিছিল। খেদি আহি বৰলটোৱে মহিলাক হুল বিন্ধাইছিল।

আৰু গধূলিৰ অন্তত, বৰলৰ হুলৰ বিষত মহিলাৰ শৰীৰ ফুলি ঢোলটো হৈ উঠিল। তেওঁৰ এই অথন্তৰৰ কাহিনী ওচৰ চুবুৰীয়াই লগে লগে গম পালে, আৰু ৰাতি পুৱাওঁতে-নৌপুৱাওঁতেই চব গম পাই গ'ল গাঁওখনে। ভিখাৰীৰ কথাৰে দুখুনী সৰলমনা মহিলাই পালে ভগৱানৰ আশিষ, আৰু ধনী গৰলমনা মহিলাই পালে বৰলৰ বিষ—এই কথা প্ৰচাৰ হোৱাৰ লগে লগে এই মহিলাৰ দুৰাৱস্থা দেখাৰ বাবে গাঁৱৰ মানুহে হুজ পাতিলেহি। কাৰোবাৰ দুৰাৱস্থা চাবলৈকো যে মানুহ ইমান আগ্ৰহী হয় — সেই আচৰিত কথা কল্পনাৰো অতীত।

তেওঁৰ এজন বা দুজনৰ ওপৰত নহয়, গোটেইখন গাঁৱৰ ওপৰতে উগ্ৰ খং উঠিল, আৰু কিছুদিনৰ পাছত সেই গাঁও চিৰদিনৰ বাবে এৰি আন ক'ৰবালৈ গুচি যোৱাৰ আগতে এই কথাটো ভালকৈ জানি গ'ল যে খৰৰ দৰৰ খুখুন্দত ঘঁহিলে লাভৰ সলনি নাকৰ ওপৰত নহাত পানীহে হয়গৈ।

সৰ্বোচ্চ

আৰ্জেন্টিনাৰ একনকাগুৱা নামৰ নিৰ্বাপিত আগ্নেয়গিৰি হ'ল বিশ্বৰ সৰ্বোচ্চ আগ্নেয়গিৰি। ই পশ্চিম গোলাৰ্ধাৰো সৰ্বোচ্চ পৰ্বত। ইয়াৰ উচ্চতা ২২,৮৩২ ফুট [৬৯৬০ মিটাৰ]।

উড়ন্ত পোৱালি-কঢ়িউৱা প্ৰাণী মাৰ্ছুপিয়াল

ফ্যালানজাৰ গোষ্ঠীৰ অন্তৰ্ভুক্ত পোৱালি কঢ়িউৱা উড়ন্ত প্ৰাণী হিচাপে মাৰ্ছুপিয়ালৰ নাম অগ্ৰগণ্য। আগঠেং আৰু পিছঠেংৰ মাজত থকা কোমল চামৰাৰ সংকোচন আৰু প্ৰসাৰণৰ সহায়ত ই বহু দূৰলৈকে উৰি যাব পাৰে।

হালধীয়া বোকা!



চীনদেশৰ পীত নদী হ'ল পৃথিৱীৰ আটাইতকৈ বোকাময় নদী। এই নদীৰ পলস হালধীয়া বৰণৰ হোৱাহেতুকে নৈখনৰ নাম হ'ল পীত নদী।

ALL THAT STANDS BETWEEN DARKNESS AND HIM IS

YOUR SIGNATURE.

India. The land of diverse cultures. Rich, varied traditions. But, there are 11 million people who can't see the beauty and wonder of this land. They suffer from cataract. They live in a world that grows darker day by day. And 2 million are added to this number every year.

We, at LKS, take care of over 60,000 people's eyes every year. People of all communities, people from different walks of life. During 1987 alone we have operated on 2,400 cataract patients and have been able to make 70 villages cataract - free. But still a lot needs to be done. And you can help.

As little as Rs. 100 from you can enable us to perform a cataract operation and clear the darkness from someone's life.

Help us, to help them.

Lok Kalyan Samiti

A voluntary, non-political, non-profit, health and family welfare organisation.

Set your sights on the nearly blind. Give.

To

Mr. K.S. Gupta,
The General Secretary,
Lok Kalyan Samiti,
Sucheta Bhavan,
11-A, Vishnu Digambar Marg,
New Delhi-110 002.
India.

For Rs. 100 per cataract operation, I would like to sponsor:

*1 operation (Rs. 100)
*2 operations (Rs. 200)
*5 operations (Rs. 500)
*10 operations (Rs. 1000)

Payable *yearly *half yearly *quarterly *bi-monthly *monthly

I am enclosing herein a crossed cheque/demand draft in favour of "Lok Kalyan Samiti" for Rs. ____________

Please send me details with photograph/s of the person/s I am sponsoring.

Name: ____________ Age: ____________

Address: ____________

Profession: ____________ Tele: ____________

Date of birth: Day ______ Month ______ Year ______ Marital Status ______

If married, date of marriage: Day ______ Month ______ Year ______

Income tax exemption under section 80G of the Income Tax Act.

LINTAS. LKS. 23

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৮ চনৰ নৱেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ ছেপটেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : পিঁহন

দ্বিতীয় ফটো : দোহন

পুৰস্কাৰ প্ৰাপক : গুণলতা ভূঞা, বৰভুবি মডেল টাউন, ছগ্ৰীজান, ডিব্ৰুগড়!

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

অতিকৈ' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰৱস্থূৱা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক
অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্,
মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও উহঁত গৃহৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণী :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজযোগে ৭৫'০০ টকা * উৰা জাহাজৰ যোগে ১৫'০০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১'০০ টকা * উৰা জাহাজৰ যোগে ১৫'০০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

চাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

CRUNCHY, MUNCHY SWEETS
The coconut cookie treat!
nutrine
COOKIES
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets